সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

ৰঙিলী বাৰ্ত্তা


Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৪৩ সংখ্যা, ৭ কাতি , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 43 Date of Publication- 25 October 2026 Rs. 10.00/-

জি এম চি এইচত উত্তৰ-পূবৰ প্ৰথমটো যকৃত সংৰোপণৰ অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ চৰকাৰী চিকিৎসা খণ্ডত এক ঐতিহাসিক সফলতা অৰ্জনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত (জি এম চি এইচ) প্ৰথমবাৰৰ বাবে সফলতাৰে সম্পন্ন হ'ল যকৃত সংৰোপণ। ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থাৰ বাবে এয়া এক উল্লেখযোগ্য সাফল্য। কিয়নো উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে চৰকাৰী চিকিৎসালয়ত এনেদৰে সফলতাৰে যকৃত সংৰোপণ কৰা হৈছে। এই সন্দৰ্ভত অনুষ্ঠিত এখন সংবাদমেলত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে জানিবলৈ দিয়া অনুসৰি, প্ৰায় ১৬ ঘণ্টা ধৰি চলা এই জটিল অস্ত্ৰোপচাৰৰ জৰিয়তে এগৰাকী ৰোগীৰ দেহত তেওঁৰ ভগ্নীৰ যকৃতৰ এটা অংশ সংৰোপণ কৰা হয়। গুৱাহাটীৰ বেহাৰবাৰীৰ ৪৮ বছৰীয়া ৰোগীগৰাকীক তেওঁৰ ৪০ বছৰীয়া ভগ্নীয়ে যকৃতৰ এটা অংশ দান কৰে। চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানত এনে জটিল অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন হোৱাটোৱে অসমৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত নতুন সম্ভাৰনাৰ সৃষ্টি কৰিছে। তেওঁ আৰু কয়, অন্ধ্ৰপ্ৰদেশৰ পৰা অহা ডাক্তৰ ছেন্থিল কুমাৰৰ নেতৃত্বতে এই অস্ত্ৰোপচাৰটো হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ চৰকাৰী ব্যৱস্থাৰ অধীনত কৰা এইটোৱেই প্ৰথম লিভাৰ ট্ৰান্সপ্লাণ্ট। ইয়াৰ লগে লগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখন এতিয়া ভাৰতৰ অন্যতম নিৰ্বাচিত চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত পৰিণত হৈছে, য'ত যকৃত সংৰোপণৰ দৰে জটিল পদ্ধতি সম্পন্ন কৰা হৈছে। এই জটিল চিকিৎসা প্ৰক্ৰিয়াত হৃদযন্ত্ৰ, বক্ষ

(দহ পৃষ্ঠাত চাওক)

ফেব্ৰুৱাৰীত আৰম্ভ হ'ব অসম আৰক্ষীৰ ৫, ৭৩৬ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ চাকৰি প্ৰত্যাশী নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে ভাল খবৰ । শুকুৰবাৰে মাজনিশা ফেচবুক লাইভযোগে ৰাজ্যবাসীক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে অসম আৰক্ষীকে ধৰি বিভিন্ন বিভাগৰ ৫, ৭৩৬ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া অহা ২০২৭ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত উল্লেখ কৰে যে অসম আৰক্ষীৰ খালী পদৰ বিপৰীতে ১০ লাখতকৈও অধিক যুৱক-যুৱতীয়ে

(দুই পৃষ্ঠাত চাওক)

পূ�ৰবী ৰয়ক মহিলা মৰ্চাৰ নতুন সভাপতি হিচাপে নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- অসম প্ৰদেশ বিজেপিৰ মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী হিচাপে পূ�ৰবী ৰয়ক নিযুক্তি দিয়া হৈছে। দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা পূৰবী ৰয়ক তৎকালে কাৰ্যকৰী হোৱাকৈ এই পদত নিযুক্তি প্ৰদান কৰা হয় । শনিবাৰে এক বিবৃতিযোগে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই কথা প্ৰকাশ কৰিছে। বিবৃতিটোত শইকীয়াই উল্লেখ কৰে, ভাৰতীয় জনতা পাৰ্টী, মহিলা মৰ্চা, অসম প্ৰদেশৰ ৰাজ্যিক সভানেত্ৰীৰূপে দলৰ জ্যেষ্ঠ কাৰ্যকৰ্তা

(দহ পৃষ্ঠাত চাওক)

নদীবান্ধৰ বিৰুদ্ধে অগ্নিগৰ্ভ অৰুণাচল



ৰঙিলী বাৰ্ত্তাসেৱা- অৰুণাচল প্ৰদেশত নিৰ্মাণ কৰিব লগীয়া ১১, ২০০ মেগাৰাট শক্তিসম্পন্ন আপাৰ ছিয়াং বহুমুখী প্ৰকল্পক লৈ উত্তপ্ত হৈ পৰিছে ৰাজ্যখনৰ পৰিস্থিতি। বৃহৎ নদীবান্ধটোৰ বিৰুদ্ধে কেইবাটাও সংগঠনে শুকুৰবাৰে আহ্বান জনোৱা ১২ঘণ্টীয়া বন্ধৰ সময়ছোৱাত কেইবাটাও অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। বিশেষকৈ বন্ধৰ কাৰ্যসূচী শেষ হোৱাৰ পাছত নিশা-প্ৰায় ৰৱ বজাত পৰিস্থিতিয়ে হিংসাত্মক ৰূপ ধাৰণ কৰে। বিক্ষোভকাৰীসকলে আৰক্ষীলৈ শিলগুটি নিক্ষেপতে ক্ষান্ত নাথাকি পাছিঘাটৰ উচু অঞ্চলত অৱস্থিত জলবিদ্যুৎ প্ৰকল্পটোৰ নিৰ্মাণৰ দায়িত্বত থকা এনএইচপিচিৰ কাৰ্যালয়-আৰক্ষী থানা জ্বলাই দিয়ে। অকল সেয়াই নহয়, প্ৰতিবাদকাৰীসকলে ৰাণাঘাটত থকা চেকপোষ্ট-বেৰিকেড ভঙাৰ চেষ্টা কৰাৰ সমান্তৰালভাৱে আৰক্ষীৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। প্ৰতিবাদকাৰীৰ ক্ষোভৰ পৰা বাদ পৰি নগ'ল ৰাজনৈতিক নেতাও। অৰুণাচল প্ৰদেশ ৰাজ্যিক বিজেপিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক কালিং মায়ঙৰ উপৰি পাছিঘাট পশ্চিমৰ বিধায়ক নিনং এৰিং আৰু মাৰিয়াং-ডেকু সমষ্টিৰ বিধায়ক অনি পানিয়াঙৰ বাসগৃহ লণ্ডভণ্ড কৰে। এই সন্দৰ্ভত পাছিঘাটৰ উপ-আৰক্ষী অধীক্ষক ট'নি টাটাকে জানিবলৈ দিয়া মতে, আদি সম্প্ৰদায়ৰ সৰ্বোচ্চ সংগঠন আদি বানে কেবাঙৰ কাৰ্যালয়তো আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। আৰক্ষী বিষয়াজনে হিংসাত্মক ঘটনাৰ বৰ্ণনা দাঙি ধৰি কয় যে ক্ষয়-ক্ষতিৰ পৰিমাণ বৰ্তমানলৈকে মূল্যায়ন কৰা হোৱা নাই। বিষয়টো তদন্তৰ আওতাত আছে। প্ৰতিবাদকাৰীসকলে মেৰ' অঞ্চলৰ পৰা আহিছিল। চিয়াং, আপাৰ চিয়াং আৰু পূব চিয়াং জিলাত প্ৰস্তাবিত বৃহৎ নদীবান্ধৰ বিৰুদ্ধে শুকুৰবাৰে আহ্বান জনোৱা বন্ধৰ কাৰ্যসূচী শেষ হোৱাৰ কেইঘণ্টামানৰ পিছতে হিংসা বিয়পি পৰে। আনকি বন্ধ চলি থকাৰ সময়তো চিয়াং জিলাত বিক্ষোভকাৰীয়ে আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। পৰিস্থিতি নিয়ন্ত্ৰণ তথা প্ৰতিবাদকাৰীক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে কন্দুৱা গেছ নিক্ষেপ কৰিবলগীয়া হৈছিল। তেওঁ দাবী কৰা অনুসৰি প্ৰায় ১৫০-২০০জন প্ৰতিবাদকাৰীয়ে হাতে হাতে দা, লাঠী, বাটলগুটি আদি লৈ ৰাজপথলৈ ওলাই আহি আৰক্ষীৰ বাহনত অগ্নিসংযোগ কৰাৰ সমান্তৰালভাৱে বেৰিকেড

(দুই পৃষ্ঠাত চাওক)

অসমত এডালো গছ নথকা বহু সংৰক্ষিত বনাঞ্চল আছেঃবনমন্ত্রী



ৰঙিলী বার্ত্তাসেৱা- বনমন্ত্রী জয়ন্ত মল্ল বৰুৱাৰো বিস্ফোৰক অভিযোগ। বনমন্ত্রী জয়ন্ত মল্লবৰুৱাৰ দাবী, অসমত এডালো গছ নথকা বহু সংৰক্ষিত বনাঞ্চল আছে। গোৱালপাৰাৰ দৰে চহৰো সংৰক্ষিত বনাঞ্চলৰ ভিতৰত গঢ়ি উঠিছে। এতিয়াও সংৰক্ষিত বনাঞ্চলৰে হয় গোৱালপাৰা চহৰখন থকা অঞ্চলটো। বন মন্ত্রীগৰাকীৰ এই দাবীক লৈ স্বাভাৱিকতে মিশ্রিত প্রতিক্রিয়া। মুখ্যমন্ত্রীৰ সেউজ ফেল'শ্বিপৰ জৰিয়তে গঠন হোৱা গ্রীন টাস্ক ফ'ৰ্চৰ শিক্ষার্থীসকলৰ সৈতে হোৱা বার্তালাপ অনুষ্ঠানত বনাঞ্চলৰ এনে উদ্বেগজনক বহু তথ্য দাঙি ধৰে বনমন্ত্রীগৰাকীয়ে। তেওঁ কয়-বর্তমান প্রকৃতিৰ বাবে কথা কোৱা মানুহ বহুত, কিন্তু আমাক কাম কৰা মানুহ লাগে। জীৱনত গছপুলি এডাল ৰুই নোপোৱা একাংশ লোকে এতিয়া প্রকৃতিৰ কথা কয়। তেওঁলোকে ইক' ছেনছিটিভ জ'ন বুজিয়ে নাপায়, কিন্তু ইক' ছেনছিটিভজ'নক লৈ আন্দোলন কৰিবলৈ ওলাই আহে। বৈধভাৱে সংৰক্ষিত বনাঞ্চলত কোনেও ঘৰ সাজিব নোৱাৰে। কিন্তু একাংশ মানুহে অবৈধভাৱে ঘৰ সাজি বহু সংৰক্ষিত বনাঞ্চল ধ্বংস কৰিছে। এতিয়া আমাৰ চৰকাৰে বহু সংৰক্ষিত বনাঞ্চলৰ মাটি ঘূৰাই আনি পুনৰ বনাঞ্চললৈ ৰূপান্তৰ কৰিবলৈ সক্ষম হৈছে। বনমন্ত্রীগৰাকীয়ে আজি ইয়াকো উল্লেখ কৰে যে বহনক্ষম আৰু জলবায়ু সহনশীল ৰাজ্য হিচাপে গঢ়িবলৈ নিশ্চিতভাৱে নির্মাণ হ'বই। এনে নির্মাণৰ বাবে শিল-বালি খনন হ'বই। মন্ত্রীগৰাকীয়ে কয়- আজি গুৱাহাটীৰ চাৰিওফালে ৰিংৰোড নির্মাণ হ'বলৈ লৈছে। এই নির্মাণৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে যে আগন্তুক সময়ছোৱাত প্রায় ডেৰশৰো অধিক শিল-বালিৰ মহল আবণ্টন দিয়া হ'ব। ইয়াৰ বাবে আইনগত নিবিদা আহ্বান কৰা হ'ব। মন কৰিবলগীয়া যে

(তিনিপৃষ্ঠাত চাওক)

ফেব্রুৱাৰীত আৰম্ভ হ'ব অসম

আবেদন কৰিছে। উল্লেখ্য যে অসম আৰক্ষীৰ বাবে ২, ২৩৬টা, আছাম পুলিচ ৰেডিঅ' অর্গেনাইজেচনৰ বাবে ৬৮৪টা, অগ্নিনির্বাপকৰ বাবে ৪৮৯টা, বন বিভাগৰ বাবে ১, ৩০৭টা, হোমগার্ডৰ বাবে ৮২৭টা, জে'ল সুৰক্ষাৰ বাবে ১৯১টা পদৰ বিপৰীতে সাক্ষাৎকাৰ অনুষ্ঠিত হ'ব। একেদৰে মুখ্যমন্ত্রীৰ আত্মনির্ভৰ অসম অভিযানৰ অধীনত নতুনকে ৫০ হাজাৰ যুৱক-যুৱতীক সামৰি লোৱাৰ বাবে ২০২৭ চনৰ ১ জানুৱাৰীত আবেদন গ্রহণৰ প'ৰ্টেল মুকলি কৰাৰ কথাও সদৰী কৰে মুখ্যমন্ত্রীগৰাকীয়ে। ফেচবুক লাইভত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰে ইতিমধ্যে প্রায় ১ লাখ ২২ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিবলৈ সক্ষম হৈছে। এইবাৰ চৰকাৰে পুনৰ নিযুক্তিৰ এটা নতুন অধ্যায় আৰম্ভ কৰিবলৈ আগবাঢ়িছে। অসম আৰক্ষী, বন বিভাগ আৰু আন কেইবাটাও বিভাগৰ পদৰ বাবে আবেদন কৰা প্রার্থীসকলৰ অপেক্ষাৰ অন্ত পেলাই তেওঁ সাক্ষাৎকাৰৰ সময়সুচী ঘোষণা কৰে। মুখ্যমন্ত্রীগৰাকীয়ে লগতে কয় যে, বহুতে মোক সুধি আছে যে মামা, পুলিচৰ ইণ্টাৰভিউ কেতিয়াৰ পৰা আৰম্ভ হ'ব? আজি মই আপোনালোকক জনাব বিচাৰিছে যে অসম আৰক্ষীৰ নতুন ইণ্টাৰভিউ আমি ৰ ফেব্রুৱাৰীৰ পৰা আৰম্ভ কৰিম। তেওঁৰ মতে, অসম আৰক্ষীকে ধৰি বিভিন্ন বিভাগৰ মুঠ ৫, ৭৩৬টা পদৰ বাবে ইতিমধ্যে বিজ্ঞাপন প্রকাশ কৰা হৈছিল। এই পদসমূহৰ বিপৰীতে ১০ লাখতকৈও অধিক যুৱক-যুৱতীয়ে আবেদন কৰিছে বুলিও মুখ্যমন্ত্রীগৰাকীয়ে উল্লেখ কৰে। অসম আৰক্ষীৰ লগতে অসম আৰক্ষীৰ ৰেডিঅ' সংগঠন, অগ্নিনির্বাপণ আৰু জৰুৰীকালীন সেৱা, বন বিভাগ, গৃহৰক্ষী আৰু অসামৰিক প্রতিৰক্ষা সঞ্চালকালয় তথা কাৰাগাৰ বিভাগৰ পদসমূহো এই নিযুক্তি প্রক্রিয়াৰ অন্তর্ভুক্ত বুলি তেওঁ জানিবলৈ দিয়ে। কনিষ্টবল, চালক, বোটমেন, সহকাৰী কাৰাগাৰ অধীক্ষক আৰু কাৰাগাৰ ৱার্ডেনকে ধৰি বিভিন্ন পদৰ বাবে এই নিযুক্তি প্রক্রিয়া অনুষ্ঠিত হ'ব। সাক্ষাৎকাৰৰ বাবে প্রস্তুতি চলাবলৈ প্রার্থীসকলক পর্যাপ্ত সময় দিয়াৰ উদ্দেশ্যেই ফেব্রুৱাৰী মাহৰ পৰা প্রক্রিয়াটো আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা বুলিও মুখ্যমন্ত্রীগৰাকীয়ে উল্লেখ কৰে। বানপানীকে ধৰি বিভিন্ন কাৰণত বহু প্রার্থীয়ে শাৰীৰিক অনুশীলনৰ বাবে পর্যাপ্ত সময় নোপোৱাৰ কথাও তেওঁ উল্লেখ কৰে। এতিয়া নিজকে প্রস্তুত কৰাৰ সময়। আপোনালোকে দৌৰিব, প্রেক্ষিছ কৰিব, নিজৰ শাৰীৰিক সক্ষমতা বৃদ্ধি কৰিব। যাতে সাক্ষাৎকাৰ আৰু নির্বাচনী প্রক্রিয়াত সুন্দৰভাৱে অংশগ্রহণ কৰিব পাৰেবুলি মুখ্যমন্ত্রীয়ে প্রার্থীসকলক আহ্বান জনায়। ইফালে মুখ্যমন্ত্রীয়ে ফেচবুক লাইভযোগে আন এক ঘোষণা কৰি উল্লেখ কৰিছে যে ২৮ অক্টোবৰত চেকযোগে ছেপ্টেম্বৰ মাহৰ ধনৰাশি আৰু ১০ নৱেম্বৰত উক্ত মাহটোৰ বাবে নিযুত মইনা আঁচনি আৰু নিযুত বাবু আঁচনিৰ ধন ছাত্র-ছাত্রীসকলক প্রদান কৰা হ'ব। একেদৰে অহা বর্ষৰ ১ জানুৱাৰীৰ পৰা মুখ্যমন্ত্রীৰ আত্মনির্ভৰ অসম আঁচনিৰ আবেদন প্রক্রিয়া মুকলি কৰা হ'ব। প্রায় ৫০ হাজাৰ যুৱক-যুৱতীক আত্মনির্ভৰ অসম আঁচনিৰ অধীনত প্রদান কৰা হ'ব ধন। অহা বর্ষৰ প্রথম ভাগতে ইয়াৰ বাবে মুকলি কৰা হ'ব বিশেষ প'ৰ্টেল। ইফালে মুখ্যমন্ত্রীৰ স্বাগত সতীর্থ প'ৰ্টেল ৭ ডিচেম্বৰত মুকলি কৰা হ'ব বুলিও মুখ্যমন্ত্রীয়ে ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে তৃতীয় আৰু চতুর্থবর্গৰ কর্মচাৰীয়ে পাৰস্পৰিক বদলিকৰণৰ সুবিধা ল'ব পাৰিব। ইফালে লাইফযোগে মুখ্যমন্ত্রী ড° শর্মাই ঘোষণা কৰা মতে, অহা ৭ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব 'খেল মহাৰণ'ৰ নতুন সংস্কৰণ। প্রথম পর্যায়ত গাঁও পঞ্চায়ত স্তৰত অনুষ্ঠিত হ'ব এই প্রতিযোগিতা। পৰৱর্তী সময়ত ক্রমে সমষ্টি, জিলা আৰু ৰাজ্যিক পর্যায়ত খেল মহাৰণ অনুষ্ঠিত কৰা হ'ব। এইপর্যন্ত খেল মহাৰণৰ বাবে ৪০ লাখ খেলু�ৰেয়ে প'ৰ্টেলত নিজৰ নাম পঞ্জীয়ন কৰিছে বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্রীয়ে।

এপ্রিলত মুকলি হ'ব বিশ্বনাথ মেডিকেল কলেজঃ স্বাস্থ্যমন্ত্রী



ৰঙিলী বার্ত্তাসেৱা- ২০২৭ চনৰ এপ্রিল মাহত ৰাইজৰ বাবে মুকলি কৰা হ'ব নতুনকৈ নির্মাণ কৰা বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল। স্বাস্থ্যমন্ত্রী অশোক সিংহলে নির্মীয়মাণ বিশ্বনাথ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখন পৰিদর্শন কৰি এই কথা ঘোষণা কৰে। প্রতিষ্ঠানখনৰ নির্মাণকার্যৰ অগ্রগতিৰ বুজ লয়। মন্ত্রীগৰাকীয়ে চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালখনৰ সামগ্রিক পৰিচালনা ব্যৱস্থাৰো পর্যালোচনা কৰে। এয়া হ'ব অসম চৰকাৰৰ অধীনত নির্মাণ হোৱা ৰাজ্যৰ ৰহু সংখ্যক চিকিৎসা মহাবিদ্যালয়। উল্লেখ্য যে চিকিৎসা মহাবিদ্যালয়খনৰ নির্মাণকার্য ইতিমধ্যে প্রায় ৯৯ শতাংশ সম্পূর্ণ হৈছে। নৱনির্মিত চিকিৎসা মহাবিদ্যালয়খন পৰিদর্শন কৰি সাংবাদিকৰ আগত মন্ত্রী সিংহলে কয়, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়খন এখন অতি সুন্দৰ প্রকল্প হ'ব। ইয়াৰ নির্মাণকার্য প্রায় সম্পূর্ণ হোৱাৰ পথত। অহা এপ্রিলত ৰাইজৰ সেৱাৰ বাবে ইয়াক মুকলি কৰিবলৈ আমি লক্ষ্য লৈছোঁ। আজি মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগ পৰিদর্শন কৰি সন্তুষ্টি প্রকাশ কৰে মন্ত্রীগৰাকীয়ে। মন্ত্রীগৰাকীৰ এইপৰিদর্শনৰ সময়ত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ

(তিনিপৃষ্ঠাত চাওক)

নদীবান্ধৰ বিৰুদ্ধে

ভঙাৰ চেষ্টা কৰে। আনকি প্রতিবাদকাৰীসকলে নিৰাপত্তা বাহিনীলৈ লক্ষ্য কৰি শিলগুটিও নিক্ষেপ কৰিছিল। উল্লেখ্য যে আদি বানে কেবাং ইউনাইটেড, চিয়াং আপাৰ মাল্টিপাৰপাছ প্রজেক্ট এফেক্টেড এৰিয়া যুথ এছ'চিয়েচন, চিয়াং ইণ্ডেজেনাছ ফার্মাছ ফ'ৰাম যুথ উইং আৰু আদি গালো বেলফেয়াৰ ছ'চাইটীয়ে যুটীয়াভাৱে শুকুৰবাৰে এই ১২ঘণ্টীয়া বন্ধৰ আহ্বান জনাইছিল। সংগঠনকেইটাৰ মূল দাবী হ'ল- গ্রেপ্তাৰ কৰা ১০জন আন্দোলনকাৰীক শীঘ্রে মুক্তি দিয়া, গাঁওবুঢ়াসকলৰ সাময়িকভাৱে বর্খাস্তৰ নির্দেশ প্রত্যাহাৰ, বৃহৎ নদীবান্ধটোৰ প্রাক্ সম্ভাৱনীয়তা সংক্রান্তীয় সকলো কার্যক্রম প্রত্যাহাৰ আৰু অর্ধসামৰিক তথা কেন্দ্রীয় বাহিনীক শীঘ্রে আঁতৰাই নিয়া। সম্প্রতি পাছিঘাটৰ পৰিস্থিতি নিয়ন্ত্রণাধীন যদিও চেপা উত্তেজনাই বিৰাজ কৰি আছে। প্রতিবাদকাৰীসকলে পাছিঘাটৰ ৫১৫নং ৰাষ্ট্রীয় ঘাইপথৰ ৰাণাঘাটস্থিত চেকপোষ্ট-বেৰিকেড ভাঙি দিয়াৰ সমান্তৰালভাৱে বাহনত অগ্নিসংযোগ কৰে। যাক কেন্দ্র কৰি পৰিস্থিতি উত্তাল হৈ পৰিছে। বিক্ষোভকাৰীৰ শিলগুটি নিক্ষেপৰ ফলত বহুকেইজন আৰক্ষী বিষয়া-কনিষ্টবলৰ লগতে অর্ধসামৰিক বাহিনীৰ জোৱানো আহত হোৱাৰ বাতৰি পোৱা গৈছে। আহতসকলৰ ভিতৰত অন্যতম হ'ল পাছিঘাটৰ উপ-আৰক্ষী অধীক্ষক ট'নি টাটাক। উল্লেখ কৰিব পাৰি যে ব্রহ্মপুত্রৰ মূল উৎস তথা খৰস্রোতা চিয়াঙক ভেটি কেন্দ্রীয় চৰকাৰে ১১, ২০০ মেগাৱাট বিদ্যুৎ উৎপাদনক্ষম চিয়াং আপাৰ মাল্টিপাৰপাছ প্রজেক্ট নির্মাণৰ দায়িত্ব অর্পণ কৰিছে এনএইচপিচিক। প্রতিবাদকাৰীসকলৰ মতে, চিয়াঙৰ বক্ষত নির্মাণ কৰিবলগীয়া দেশৰ ভিতৰতে এই সর্ববৃহৎ জলবিদ্যুৎ প্রকল্পটোৱে অশনি সংকেত কঢ়িয়াই আনিব অসম আৰু অৰুণাচলৰ প্রতি। আপাৰ চিয়াঙৰ পাৰং, গেৰু আৰু কমকাৰত এই বৃহৎ নদীবান্ধটো নির্মাণৰ পৰিকল্পনা কৰা হৈছে। মূলতঃ য়াৰলুং চাংপো (চীনত ব্রহ্মপুত্রৰ নাম) বেইজিঙে নির্মাণ কৰি থকা ৬০ হাজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনক্ষম নদীবান্ধক প্রতিহত কৰাৰ লক্ষ্যৰেই চিয়াং আপাৰ মাল্টিপাৰপাছ প্রজেক্ট নির্মাণৰ সিদ্ধান্ত গ্রহণ কৰিছে কেন্দ্রীয় চৰকাৰে। কিন্তু চীনৰ জলবোমাক প্রত্যুত্তৰ দিবলৈ নির্মাণ কৰিবলগীয়া এই প্রকল্পটোৱে অনাগত দিনত ভয়ংকৰ পৰিৱেশ সৃষ্টি কৰিব বুলি অভিযোগ উত্থাপন কৰিছে প্রতিবাদকাৰীসকলে। এই অভিযোগ তুলি শেহতীয়াকৈ স্থানীয় ৰাইজে ব্যাপক প্রতিবাদ সাব্যস্ত কৰি আহিছে।

যশস্বী গায়িকা ঊষা মংগেশকাৰলৈ ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা



ৰঙিলী বার্ত্তাসেৱা- ভাৰতৰত্ন, সুধাকণ্ঠ ডঁ ভূপেন হাজৰিকাৰ সন্মানার্থে বাজ্য চৰকাৰে প্রথমবাৰৰ বাবে প্রদান কৰিব লগীয়া 'ভাৰতৰত্ন ড' ভূপেন হাজৰিকা বঁটা'ৰ বাবে বাছনি কৰা হৈছে বিশিষ্ট সংগীত শিল্পী ঊষা মংগেশকাৰক। নতুন দিল্লীত অনুষ্ঠিত হ'ব লগীয়া এক বর্ণাঢ্য অনুষ্ঠানত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে তেওঁক এই বঁটা প্রদান কৰিব। শিল্পী ডঁ ভূপেন হাজৰিকাৰ সন্মানার্থে কেবিনেট বৈঠকত ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্রহণ কৰে। লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত সদৰী কৰি মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই কয় যে দিল্লীৰ ভাৰত মণ্ডপত অনুষ্ঠিত হ'ব লগা সুধাকণ্ঠৰ জন্ম শতবার্ষিকীৰ সামৰণী অনুষ্ঠানত প্রদান কৰিব লগা এই বঁটা প্রদান কার্যসূচীত বিশেষ অতিথি ৰূপে উপস্থিত থাকিব প্রধানমন্ত্রী নৰেন্দ্র মোদী। ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা সন্দর্ভত সবিশেষ উল্লেখ কৰি মুখ্যমন্ত্রী ডঁ শর্মাই কয়- এই ৰাষ্ট্রীয় বঁটাত এখন স্মাৰকৰ লগতে নগদ ১০ লাখ টকা প্রদান কৰা হ'ব। আনহাতে প্রতি তিনি বছৰৰ অন্তৰে অন্তৰে এই বঁটা প্রদানৰ বাবে ৰাজ্যিক কেবিনেটে সিদ্ধান্ত গ্রহণ কৰে। সুধাকণ্ঠৰ নামত প্রৱর্তন কৰা এই ৰাষ্ট্রীয় বঁটাই দেশৰ সাংস্কৃতিক ক্ষেত্রখনত এক নতুন দিগন্তৰ সূচনা কৰিব। অহা ২৯ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা বঁটা প্রদান অনুষ্ঠানত প্রধানমন্ত্রী মোদীৰ লগতে বহুকেইজন সাংসদ, কেইবখনো ৰাজ্যৰ মুখ্যমন্ত্রী, ৰাজ্যপাল আৰু বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। দুঘণ্টাজোৰা এই অনুষ্ঠানতেই সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' আৰু 'উই আৰ অন দ্য ছেম বোট ব্রাডাৰ' শীর্ষক গীত দুটি ১০০ৰ গৰাকী শিল্পীয়ে পৰিৱেশন কৰিব। গাম্ভীর্যপূর্ণ এই অনুষ্ঠানটো সফলভাৱে ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰক সহযোগ কৰিব কেইবাটাও বেচৰকাৰী সংস্থাই। আনহাতে আজি ৰাজ্যিক কেবিনেটে শ্রীমন্ত শংকৰদেৱ বঁটাৰ নগদ ধনৰ পৰিমাণ ১৫ লাখ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। কেবিনেটে আজি ২০২৫ বর্ষৰ অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাও ঘোষণা কৰে। সেই অনুসৰি ২০২৫ বর্ষৰ অসম বৈভৱ বঁটাৰ বাবে মনোনীত কৰা হৈছে বিশিষ্ট চকু চিকিৎসক তথা শ্রীমন্ত শংকৰদেৱ নেত্রালয়ৰ প্রতিষ্ঠাপক সঞ্চালক তথা সভাপতি ডাঃ হর্ষ ভট্টাচার্যলে। আনহাতে অসম সৌৰভ বঁটাৰ বাবে এইবাৰ নির্বাচিত কৰা হৈছে বিশিষ্ট পশু চিকিৎসক, পদ্মশ্রী ডাঃ কুশল কোঁৰৰ শর্মা, পদ্মশ্রী নুৰুদ্দিন আহমেদ (কলা নির্দেশক), বিশিষ্ট কণ্ঠশিল্পী পুলক বেনার্জী আৰু হাড়গিলা সংৰক্ষণৰ সৈতে জড়িত ডঁ পূর্ণিমা দেৱী বর্মনক। ইফালে, অসম গৌৰৱ বঁটাৰ বাবে

(দহ পৃষ্ঠাত চাওক)

বন বিভাগৰ কর্মচাৰীৰ বাবে অনলাইন বদলি প'র্টেল মুকলি মুখ্যমন্ত্রীৰ



ৰঙিলী বার্ত্তাসেৱা- লোকসেৱা ভৱনৰ সংবাদ সম্মিলন কক্ষত আয়োজিত এক অনুষ্ঠানত অসম চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন বিভাগৰ কর্মচাৰীসকলৰ বাবে প্রস্তুত কৰা এটা অনলাইন বদলি প'র্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই। উল্লেখ্য যে কর্মচাৰীৰ বদলি প্রক্রিয়াক স্বচ্ছ ন্যায়সংগত আৰু সুশৃংখল কৰি তোলাৰ উদ্দেশ্যে প'র্টেলটো প্রস্তুত কৰা হৈছে। এই প'র্টেলটোৰ জৰিয়তে কৰা হৈছে প্রথম পর্যায়ত ডেপুটি ৰেঞ্জাৰ, ফৰেষ্টাৰ গ্রেড-১, ফৰেষ্টাৰ গ্রেড-২, ফৰেষ্ট গার্ড, নির্দিষ্ট বেতনৰ কর্মচাৰী আৰু গেম ৰাটচাৰসকলৰ বদলিৰ ব্যৱস্থা। বন বিভাগৰ এই পদসমূহত মুঠ ৪, ৫০০ কর্মচাৰী আছে যদিও বর্তমানৰ কর্মস্থলীত তিনিবছৰ সম্পূর্ণ হোৱা ২, ১৩৭জন কর্মচাৰীক বদলিৰ বাবে যোগ্য বিবেচিত হৈছে। প'র্টেলটো মুকলি

(দহ পৃষ্ঠাত চাওক)

তিব্বতত প্রবল ভূঁইকঁপত ১৮ জনকৈ লোকৰ মৃত্যু



ৰঙিলী বার্ত্তাসেৱা- পুনৰ প্রবল ভূঁইকঁপে জোকাৰিলে তিব্বতক। বৃহস্পতিবাৰে ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৮.০৩ বজা (স্থানীয় সময় ১০.৩৩ বজাত) তিব্বত আৰু চীনৰ সংলগ্ন অঞ্চলত এই ভূঁইকঁপৰ জোকাৰণি অনুভূত হয়। বেইজিঙৰ

(চাৰিপৃষ্ঠাত চাওক)

আন্তঃৰাষ্ট্রীয় এদিনীয়াত অভিষেক জিন্টিমণি কলিতাৰ



ৰঙিলী বার্ত্তাসেৱা- অসমৰ ক্রীড়াক্ষেত্রৰ বাবে এক গৌৰৱৰ খবৰ। ভাৰতীয় মহিলা ক্রিকেট দলৰ হৈ আন্তঃৰাষ্ট্রীয় এদিনীয়া ক্রিকেটত অভিষেক ঘটিল অসমৰ প্রতিভাৱান পেচ বলাৰ জিন্টিমণি কলিতাৰ। শুকুৰবাৰে বদোদৰাত জিম্বাব'ৱেৰ বিপক্ষে খেলা প্রথমখন এদিনীয়াত ভাৰতীয় দলটোৰ মূল একাদশত স্থান লাভ কৰে ২২ বছৰীয়া অসমকন্যা জিন্টিমণিয়ে। বদোদৰাৰ বিচিএ ষ্টেডিয়ামত ভাৰতীয় দলটোৰ প্রাক্তন অধিনায়ক হৰমনপ্রীত কৌৰৰ পৰা ভাৰতীয় দলৰ কেপ গ্রহণ কৰি আন্তঃৰাষ্ট্রীয় ক্রিকেটত নতুন অধ্যায়ৰ পাতনি মেলে জিন্টিমণিয়ে। পূর্বে উমা চেত্রীয়ে ভাৰতীয় দলত স্থান লাভ কৰি ইতিহাস ৰচিছিল যদিও মূল খেলপথাৰত নামি দেশক প্রতিনিধিত্ব কৰা জিন্টিমনি হ'ল অসমৰ প্রথমগৰাকী মহিলা ক্রিকেটাৰ। উল্লেখ্য যে আঘাতৰ বাবে বাহিৰ হোৱা অভিজ্ঞ বলাৰ ৰেণুকা সিং ঠাকুৰৰ স্থানত জিন্টিমণিক ভাৰতীয় এদিনীয়া দলটোত অন্তর্ভুক্ত কৰা হৈছিল। ঘৰুৱা ক্রিকেটৰ পৰা আৰম্ভ কৰি মহিলা প্রিমিয়াৰ লীগ আৰু ভাৰতীয় এ দলৰ হৈ খেলা অভিজ্ঞতাই জিন্টিমণিক এই পর্যায়লৈ আগবাঢ়ি অহাত সহায় কৰিছে। অৱশ্যে মেচখনত জিন্টিমণিয়ে এটাও উইকেট লাভ কৰিবলৈ সক্ষম নহ'ল। তেওঁ ৫ অভাৰ বলিং কৰি ২৩ ৰান খৰচ কৰে। ইপিনে, জিন্টিমণি কলিতাক এই বিশেষ কৃতিত্বৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে অসম ক্রিকেট সস্থাই। এচিএৰ সভাপতি তৰংগ গগৈ আৰু সম্পাদক সনাতন দাসে জিন্টিমণিক এদিনীয়া আন্তর্জাতিকৰ সফল কেৰিয়াৰৰ বাবে

(দহ পৃষ্ঠাত চাওক)

অসমত এডালো গছ

আজি মুখ্যমন্ত্রীৰ সেউজ ফেল'শ্পিপৰ জৰিয়তে গঠন হোৱা গ্রীন টাস্ক ফ'র্চ আনুষ্ঠানিকভাৱে মুকলি কৰি শিক্ষার্থীসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশগ্রহণ কৰি বনমন্ত্রী জয়ন্ত মল্ল বৰুৱাই কয় যে সেউজ আৱৰণ বৃদ্ধি আৰু বহনক্ষম উন্নয়নৰ লক্ষ্য বাস্তৱায়িত কৰিবলৈ জনসাধাৰণৰ সক্রিয় অংশগ্রহণ, বৈজ্ঞানিক দৃষ্টিভংগী আৰু বাস্তৱসম্মত পৰিৱেশমূলক পদক্ষেপৰ প্রয়োজন। মন্ত্রীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে মুখ্যমন্ত্রীৰ সেউজ ফেল'শ্পিপৰ সফলতা কেৱল আন্তঃৰাষ্ট্রীয় গৱেষণাৰ সুযোগ লাভ কৰা শিক্ষার্থীৰ সংখ্যাৰে মূল্যায়ন কৰিব নোৱাৰি। বৰং তেওঁলোকে আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতা অসমৰ পৰিৱেশ সম্পর্কীয় সমস্যাসমূহৰ সমাধানত কিমান ফলপ্রসূভাৱে প্রয়োগ কৰিব পাৰে সেয়াহে গুৰুত্বপূর্ণ।

এপ্রিলত মুকলি হ'ব

ৰঞ্জিত দত্ত, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক পল্লৱলোচন দাস, বিশ্বনাথৰ জিলা আয়ুক্ত কৰৱী শইকীয়া কৰণ, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) অমৃত প্রভা দাস, গহপুৰ সম-জিলা আয়ুক্ত ৰামানুজ হাজৰিকা, অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁই, চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ হিৰণ্য বৰা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ যোগেন চন্দ্র বে' উপস্থিত থাকে।

হোটেলৰ বন্ধ কোঠাত উদ্ধাৰ মুখ্যমন্ত্রীৰ তদাৰকী কোষৰ বিষয়াৰ মৃতদেহ



ৰঙিলী বার্ত্তাসেৱা- বঙাইগাঁওস্থিত হোটেল জাহ্নবী ৰিজেঞ্চীৰ এটা কোঠাত বৃহস্পতিবাৰে পুৱা মুখ্যমন্ত্রীৰ বিশেষ তদাৰকী কোষ (চি এম ভিজিলেঞ্চ) ৰ উপ-আৰক্ষী অধীক্ষক পদত কর্মৰত ৫৫ বছৰীয়া খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ হয়। হোটেলখনৰ ১০২ নম্বৰ কোঠাৰ পৱা মৃতদেহটো উদ্ধাৰ হয়। হোটেল কর্তৃপক্ষ আৰু পৰিয়ালৰ লোকৰ খবৰৰ ভিত্তিত আৰক্ষীয়ে দর্জাৰ তলা ভাঙি মৃতদেহটো উদ্ধাৰ কৰে। বিগত ১৮ অক্টোবৰৰ সন্ধিয়া তেওঁ হোটেলখনলৈ আহে। স্ক'ৰপিঅ' বাহন এখন নিজে চলাই হোটেলত আহি আৰক্ষী বিষয়াজন উপস্থিত হৈছিল। কিন্তু খৰ্গেশ্বৰ ৰাভাৰ বিগত কেইবাদিন ধৰি যোগাযোগ নোহোৱাৰ ফলত পত্নীয়ে বিচাৰ-খোঁচাৰ কৰি হোটেলত উপস্থিত হয়। ম'বাইলৰ লোকেচন পৰীক্ষা কৰি পত্নীয়ে আৰক্ষী বিষয়াজনৰ ঠিকনা বিচাৰি উলিয়াবলৈ সক্ষম হয়। পত্নীয়ে হোটেলখনত উপস্থিত হৈ খৰ্গেশ্বৰ ৰাভাৰ খা-খবৰ কৰাৰ সময়তে ভিতৰৰ পৱা বন্ধ কোঠাটোৰ পৱা দুর্গন্ধ বিয়পি পৰাত হোটেল কর্তৃপক্ষই সন্দেহবশতঃ আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ দল উপস্থিত হৈ তলা ভাঙি মজিয়াত পৰি থকা অৱস্থাত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাৰ খবৰ লাভ কৰি জিলাখনৰ জ্যেষ্ঠ আৰক্ষী বিষয়া নোমাল মাহাতোসহ শীর্ষ বিষয়াবর্গ উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। ঘটনা সন্দর্ভত জ্যেষ্ঠ আৰক্ষী বিষয়া মাহাতোই কয় যে খৰ্গেশ্বৰ ৰাভা অসম আৰক্ষীৰ নিষ্ঠাৱান বিষয়া আছিল। তেওঁ ৰাজ্যৰ বিভিন্ন জিলাত নিষ্ঠাৰে কাম-কাজ কৰি গৈছিল। কিন্তু তেওঁ কি পৰিস্থিতিত বঙাইগাঁৱত আহি পালে আৰু কিয় মৃতদেহ এইদৰে উদ্ধাৰ হ'বলগীয়া হ'ল তাক লৈ আৰক্ষীয়ে অনুসন্ধান কৰা হৈছে।

(দহ পৃষ্ঠাত চাওক)

সমনাগৰিক সংহিতাৰ বিধি প্রস্তুতৰ ৮জনীয়া কমিটী গঠন

ৰঙিলী বার্ত্তাসেৱা- ৰাজ্য চৰকাৰে বহু বিবাহ নিষিদ্ধকৰণকে ধৰি কেইবাটাও গুৰুত্বপূর্ণ বৈশিষ্ট্য সংযুক্ত কৰি 'ইউনিফর্ম চিভিল কোড' চমুকৈ ইউ চি চি (সম নাগৰিক সংহিতা) বিধেয়ক-২০২৬ কার্যকৰী কৰাৰ পদক্ষেপ হাতত লৈছে। বিধেয়কখন কার্যকৰী কৰিবলৈ প্রয়োজনীয় নিয়ম বা বিধিসমূহৰ খচৰা প্রস্তুত কৰিবলৈ ৮ জনীয়া এখন কমিটী গঠন কৰিছে। ৰাষ্ট্রপতি দ্রৌপদী মুর্মুৰে যোৱা ২৯ ছেপ্টেম্বৰত এই সংক্রান্তিয় বিধেয়কখনত স্বাক্ষৰ কৰাৰ পাছতে ইয়াৰ বিধি প্রস্তুতৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে পদক্ষেপ গ্রহণ কৰিছে। সকলোৰে কাৰণে একেই আইনী সুৰক্ষা আৰু ন্যায় বিচাৰ ব্যৱস্থাৰ লক্ষ্যৰে ইউ চি চি বলৱতৰ কাৰণে প্রয়োজনীয় খচৰা বিধি প্রস্তুত কৰিবলৈ ইতিমধ্যে ৰাজনৈতিক বিভাগে এক নির্দেশনাৰ জৰিয়তে গঠন কৰি দিছে এখন ৮জনীয়া কমিটী। গৃহ-ৰাজনৈতিক বিভাগৰ সচিব দেৱপ্রসাদ মিশ্রৰ অধ্যক্ষতাত গঠিত কমিটীখনৰ সদস্য হিচাপে বিত্ত বিভাগৰ আয়ুক্ত-সচিব পার্থপ্রতীম মজুমদাৰ, বিধায়িনী বিভাগৰ সচিব গীতাঞ্জলি ডি শইকীয়া, সংখ্যালঘু কল্যাণ-উন্নয়ন বিভাগৰ সচিব ফৰিদা ছামচুল, 'প্রচিকিউচন ডাইৰেক্টৰ' মাখন ফুকন, গৃহ-ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব মৃদুল কুমাৰ দাস, 'এছিষ্টেণ্ট ইন্সপেক্টৰ জেনেৰেল অৰ ৰেজিষ্ট্রেচন' মনজিৎ কুমাৰ দাস আৰু গৃহ-ৰাজনৈতিক বিভাগৰ উপ-সচিব তাপস গুপ্তাক ৰখা হৈছে। ৰাজনৈতিক বিভাগে কমিটীখনক তেওঁলোকে প্রস্তুত কৰিবলগীয়া খচৰা বিধি নির্দেশনা জাৰিৰ এমাহৰ ভিতৰত দাখিল কৰিবলৈ বান্ধি দিছে সময়সীমা। উল্লেখ্য যে এই সাহসী-প্রগতিশীল-সুদূৰপ্রসাৰী আইনখনৰ মূল ভিত্তি হৈছে সমঅধিকাৰ-সমন্যায়-সংবিধানৰ সমমূল্যবোধ। ইউচিচি কার্যকৰী হোৱাৰ পাছতে অসমত কোনো ব্যক্তিৰ অধিকাৰ ব্যক্তিগত বা ধর্মীয় বিধানৰ ভিন্ন ব্যাখ্যাৰ

(নপৃষ্ঠাত চাওক)

ডিব্রুগড়ৰ ৰেডক্রছ ছ'চাইটিৰ বিশিষ্ট লেখক ডাঃ বিপিন্দ্র নাথ কাকতিক সম্বর্ধনা লগতে ছয় শ্বহীদক স্মৰণ



ৰঙিলী বার্ত্তাসেৱা- ডিব্রুগড়ৰ ৰেডক্রছ ছ'চাইটিৰ এটি প্রতিনিধি দলে ২২ অক্টোবৰত চহৰখনৰ দূৰৰাচুক বাসিন্দা, অৰুণাচল প্রদেশ চৰকাৰৰ অৱসৰপ্রাপ্ত বিশিষ্ট চিকিৎসক, প্রথিতযশা সাহিত্যিক, প্রবন্ধকাৰ, সমাজসেৱক, সাহিত্য সুহৃদ ডঁ বিপিন্দ্র নাথ কাকতিক তেখেতৰ বাসগৃহলৈ গৈ সাক্ষাৎ কৰি ছ'চাইটিৰ ফালৰ পৱা চেলেং চাদৰ, ফুলাম গামোচা, শৰাই, ফুলৰ থোপা আৰু মানপত্রৰে সম্বর্ধনা জনোৱা হয়। সম্পাদক অনুজ কুমাৰ বৰুৱাই সম্বর্ধনা-পত্রখন পাঠ কৰে। অনুষ্ঠানত ৰেডক্রছ ছ'চাইটিৰ সভাপতি ডঁ পঙ্কজ কুমাৰ শ্রুতিকৰ, উপ-সভাপতি ডঁ মহেশ কুমাৰ জৈন, বিত্তীয় বিভাগৰ সভানেত্রী ডঁ ৰুনুমা শর্মা, যুটীয়া সম্পাদকদ্বয় ক্রমে ডাঃ গায়ত্রী দেৱী গোস্বামী, সমীৰ কুমাৰ শর্মা, সদস্য জ্যোতি প্রকাশ ভটৰ আৰু বিৰিঞ্চি কুমাৰ গগৈ আদি সম্বর্দ্ধনা অনুষ্ঠানত উপস্থিত থাকে । ৰেডক্রছ ছ'চাইটিৰ আদর্শ, মানৱ সেৱাৰ দৃষ্টি ভংগী সাৰোগত

(নপৃষ্ঠাত চাওক)

অৱসৰৰ এবছৰ পূর্বৰে পৱা আৰম্ভ হ'ব ৰাজ্যিক কর্মচাৰীৰ পেঞ্চনৰ কাম



ৰঙিলী বার্ত্তাসেৱা- ছমাহ নহয়, এতিয়াৰে পৱা এবছৰ পূর্বে আৰম্ভ হ'ব ৰাজ্যিক কর্মচাৰীৰ পেন্সনৰ কাম-কাজ। সামাজিক মাধ্যমযোগে এই কথা জনালে মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই। ইয়াৰ বাবে এবছৰ আগৰে পৱা প্রতিগৰাকী ডিডিঅ' আৰু সংশ্লিষ্ট কর্মচাৰীলৈ স্বয়ংক্রিয়ভাৰে পেন্সন সম্পর্কীয় যাব এছএমএছ। ফাইন আছাম প'র্টেলৰ মাধ্যমেৰে সম্পন্ন হ'ব এই প্রক্রিয়া। অৱসৰৰ জীৱন চিন্তামুক্ত কৰা, কাগজ-পত্রৰ মেৰপেঁচৰ পৱা কর্মচাৰীক মুক্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্রহণ কৰিব এই পদক্ষেপ। সামাজিক মাধ্যমযোগে আজি এই কথা

(দহ পৃষ্ঠাত চাওক)

অহা ৩০ বছৰলৈও ক্ষমতালৈ নাহে কংগ্রেছঃঅমিত শ্বাহ



ৰঙিলী বার্ত্তাসেৱা- ভাৰতৰ কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে কংগ্রেছ দল আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক তীব্র সমালোচনা কৰি মন্তব্য কৰিছে যে অহা ৩০ বছৰলৈও কংগ্রেছ ক্ষমতালৈ নাহিব। দিল্লীত যমুনা নদীৰ পুনৰুজ্জীৱনৰ সৈতে জড়িত প্রকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাষণ দি তেওঁ এই মন্তব্য কৰে। উল্লেখ্য যে, বৃহস্পতিবাৰে প্রদূষণ কবলিত যমুনা নদীক পৰিষ্কাৰ কৰিবলৈ ৮, ৯৪১কোটি টকাৰ প্রকল্প এটা উদ্বোধন কৰে কেন্দ্রীয় গৃহমন্ত্রী শ্বাহে। অনুষ্ঠানত বক্তব্য দি ৰাহুল গান্ধীৰ বিদেশ যাত্রাক লৈ তীব্র কটাক্ষ কৰে তেওঁ। সূত্রৰ খবৰ মতে, চাৰিদিনীয়া ভ্রমণসূচীৰে ভিয়েটনামলৈ গৈছে কংগ্রেছ নেতাগৰাকী। কেন্দ্রীয়

(নপৃষ্ঠাত চাওক)

তিব্বতত প্রবল

আর্থৰেক নেটৱর্ক চেণ্টাৰে জনোৱা মতে ৰিখটাৰ স্কেলত ভূঁইকপৰ প্রাবল্য আছিল ৭। ইয়াৰ প্রায় ৪০ মিনিট পিছত আন এটা ভূঁইকঁপৰ জোকাৰণি অনুভূত হয। এই ঘটনাত এতিয়ালৈকে ১৮জন লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। আহতৰ সংখ্যা ৫৬জন। তাৰ ভিতৰত ১১জনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। এই প্রবল ভূঁইকপৰ ফলত তিনি শতাধিক ঘৰ-দুৱাৰ বিধ্বস্ত হৈ পৰে। মৃত্যু হয় বহু গবাদি পশু। পাহাৰীয়া এলেকাত ভূঁইকপৰ ফলত ভূমিস্খলন হোৱাত বহু ৰাস্তা-ঘাট বন্ধ হৈ পৰে। বিদ্যুৎ সংযোগ আৰু যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰে। আটাইতকৈ বেছি ক্ষতিগ্রস্ত হয় উত্তৰ তিব্বতৰ বাকেন কাউণ্টীৰ মাৰু টাউনশ্বিপ এলেকাত। ৰাষ্ট্রীয় ভূকম্পন কেন্দ্র (নেচনেল চেণ্টাৰ ফ'ৰ ছিচমলজী বা এনচিএছ)ৰ তথ্য অনুসৰি অৰুণাচল প্রদেশৰ পাণ্ডিন এলেকাৰ পৱা প্রায় ৪৮৯ কিলোমিটাৰ উত্তৰ-পশ্চিমে ভূ-পৃষ্ঠৰ পৱা প্রায় ১০ কিলোমিটাৰ গভীৰত আছিল এই ভূঁইকঁপটোৰ অভিকেন্দ্র। তিব্বতৰ নাগকুৰ পৱা ১৯০ কিলোমিটাৰ উত্তৰ-পূবৰ এই দুর্গম পার্বত্য এলেকাৰ দূৰত্ব ৰাজধানী লাছাৰ পৱা ৩৯০ কিলোমিটাৰ। প্রথমটো ভূঁইকঁপৰ কিছুসময়ৰ পিছতে নিশা ৮.৪৫ বজাত (ভাৰতীয় সময়) ৰিখটাৰ স্কেলত ৫ প্রাৰল্যৰ আন এটা ভূঁইকঁপত কঁপি উঠে অঞ্চলটো। অৰুণাচল প্রদেশৰ বাছাৰ পৱা প্রায় ৩২৩ কিলোমিটাৰ উত্তৰ-পশ্চিমত আছিল দ্বিতীয়টো ভূঁইকঁপৰ অভিকেন্দ্র। ভূ-পৃষ্ঠৰ পৱা প্রায় ১৫ কিলোমিটাৰ গভীৰত আছিল এই অভিকেন্দ্র। পৰিস্থিতি মোকাবিলাৰ বাবে চীন চৰকাৰে লেভেল-৩ সতর্কতা জাৰি কৰিছে। পৰিস্থিতি মোকাবিলাৰ বাবে পঠিওৱা হৈছে সাহায্য সামগ্রী আৰু বিশেষ উদ্ধাৰকাৰী দল। অহা ২৪ ঘণ্টাত ক্ষতিগ্রস্ত এলেকাটোত প্রবল তুষাৰপাতৰ পূর্বাভাস দিয়া হৈছে। ফলত উদ্ধাৰকার্য দ্রুততাৰে সমাপ্ত কৰিব নোৱাৰিলে মৃতকৰ তালিকা দীঘলীয়া হোৱাৰ আশংকা আছে।

ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জন



ৰঙিলী বার্ত্তাসেৱা- দুর্গতিনাশিনী দেবী দুর্গাৰ বন্দনা, ঢাক-দবা, কাঁহ-শংখৰ ধ্বনি আৰু উৰুলিৰে মুখৰিত হৈ পৰা শাৰদীয় দুর্গোৎসৱৰ সামৰণি পৰে। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেবী দুর্গাৰ প্ৰতিমা আজি বিজয়া দশমীৰ দিনা অশ্ৰুসিক্ত নয়নেৰে ভক্তসকলে বিসৰ্জন দিয়ে। ঘোঁৰাত উঠি মর্ত্যলৈ অহা দেৱীয়ে নাৱত উঠি উভতি গ'ল। বুধবাৰে পুৱাৰে পৰাই বিজয়া দশমীৰ দিনটোত মা দুর্গাক বিদায় দিয়াৰ প্ৰস্তুতি চলে আৰু বৈদিক ৰীতি-নীতিৰে ছদিনীয়া শাৰদীয় উৎসৱৰ অন্তত মর্ত্যৰ পৰা বিদায় দিয়ে দেৱী দুর্গাক। দেৱীৰ বিসৰ্জনক কেন্দ্ৰ কৰি আজি সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটীতো নদীৰ ঘাটসমূহত ভক্তৰ সমাগম হোৱাৰ লগতে পূজা সমিতিসমূহৰ মাজতো দেখা যায় ব্যাপক তৎপৰতা। বিশেষতঃ দেৱী দুর্গাৰ মণ্ডপসমূহত মহিলাসকলে অশ্ৰুসিক্ত নয়নেৰে বিদায় দিয়ে মা দুর্গাক। মহিলাসকলে দেৱী মা দুর্গাৰ শ্ৰীচৰণত সেন্দূৰ অর্পণ কৰি দেৱী বন্দনাৰে ঢাক-ঢোলৰ শব্দৰ মাজেৰে আনন্দ-উৎসৱত ভাগ লয় আৰু পৰম্পৰাগতভাৱে তেওঁলোকৰ স্বামী-পৰিয়ালৰো কুশল কামনা কৰে। বিজয়া দশমীৰ বিশাদৰ মাজতো মহিলাসকলে নাচি-বাগি সেন্দূৰ খেলাত ব্যস্ত হৈ পৰা দেখা যায়। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত হিন্দু পৰম্পৰা অনুসৰি ৰাৱণ দাহ কার্যসূচীও ৰূপায়ণ কৰা হয়। অশুভ শক্তিৰ বিনাশ ঘটাই শুভ শক্তি আৰু সত্যৰ জয়ৰ প্ৰতীক হিচাপে সমগ্ৰ ৰাজ্যজুৰি এই উৎসৱ অতি ধুমধামেৰে উদযাপন কৰা হয়। ইফালে বিজয়া দশমী উপলক্ষে গুৱাহাটী মহানগৰীৰ বিভিন্ন পূজা মণ্ডপত আৰম্ভ হয় দেৱী দুর্গাৰ বিসৰ্জন পর্ব। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা দেৱী দুর্গাৰ প্ৰতিমা বিসৰ্জনৰ বাবে মহানগৰীৰ বিভিন্ন প্ৰান্তৰ পৰা পূজা সমিতিসমূহে মহানগৰীৰ ৭টাকৈ নির্ধাৰিত বিসৰ্জনস্থলীলৈ প্ৰতিমাসমূহ গীত-মাত-নৃত্যৰে লৈ যোৱা পৰিলক্ষিত হয়। বিসৰ্জন পর্ব সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে ৭টাকৈ ঘাটৰ ব্যৱস্থা কৰে আৰু সেই অনুসৰি ব্ৰহ্মপুত্ৰ নদীত লাচিত ঘাট, পাণ্ডু ঘাট, চুণচালি ঘাট, পানীখাইতী ঘাটৰ লগতে সাওকুছি ঘাট, বশিষ্ঠ মন্দিৰ ঘাট আৰু সোণাপুৰ পুৱণি বজাৰ ঘাটত পুৱাৰে পৰা দেৱী দুর্গাৰ বিসৰ্জন আৰম্ভ হয়। স্মর্তব্য যে এইবাৰ গুৱাহাটী মহানগৰীত ৬০০বো

(নপৃষ্ঠাত চাওক)

ৰামলীলা ময়দানত ৰাৱণ দাহন কার্যসূচীত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ



ৰঙিলী বার্ত্তাসেৱা- দেশৰ ভিন্ন প্ৰান্তত মণ্ডলবাৰে পালন কৰা হৈছে বিজয়া দশমী। বিজয়া দশমী উপলক্ষে উত্তৰ ভাৰততে ৰাৱণৰ প্ৰতিমূর্তি জ্বলোৱাৰ নিয়ম । প্ৰতি বছৰৰ দৰে এইবাৰো ৰামলীলা মৈদান, দিল্লীৰ দ্বাৰকাৰ ছেক্টৰ ১০ত বিজয়া দশমী উপলক্ষে ৰাৱণ দাহৰ আয়োজন কৰা হয়। দিল্লীৰ ৰামলীলা ময়দানত বিজয়া দশমীৰ অনুষ্ঠানত যোগ দিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে দেশবাসীক সম্বোধন কৰি কয়, দেশবাসীক বিজয়া দশমীৰ শুভেচ্ছা জনাইছো। আজি ভাৰতৰ চুকে-কোণে ৰামময় হৈ পৰিছে, গাঁৱে-গাঁৱে চহৰে-চহৰে দেশবাসী ৰামলীলাৰ ৰসত নিমজ্জিত হৈ পৰিছে। এয়া অত্যাচাৰ আৰু সন্ত্ৰাসৰ অন্ত পৰাৰ ঘোষণা আৰু অসত্যৰ

(নপৃষ্ঠাত চাওক)

ডার্কৱেবত ফাদিল ষ্টেট বেংক অৱ ইণ্ডিয়াৰ গ্ৰাহকৰ তথ্য



ৰঙিলী বার্ত্তাসেৱা- দেশৰ সর্ববৃহৎ চৰকাৰী খণ্ডৰ বেংক "ষ্টেট বেংক অৱ ইণ্ডিয়া" চমুকৈ এছবিআইত চাইবাৰ আক্ৰমণ। ভাৰতৰ সর্ববৃহৎ চৰকাৰী বেংক ষ্টেট বেংক (এছ বি আই)ৰ হাজাৰ হাজাৰ গ্ৰাহকৰ তথ্য ডার্ক ৱেবত ফাদিল হৈছে। ইতিমধ্যে এই আক্ৰমণৰ কথা আনুষ্ঠানিকভাৱে নিশ্চিত কৰিছে বেংকে। এই সমগ্ৰ ঘটনাটোক লৈ ইতিমধ্যে ব্যাপক হুৱাদুৱাৰ সৃষ্টি হৈছে। অৱশ্যে বেংক কর্তৃপক্ষই জনাইছে যে এই আক্ৰমণৰ ফলত তেওঁলোকৰ মূল কাম-কাজৰ ওপৰত কোনো প্ৰভাৱ নপৰে। বেংকটোৱে নিজেই ২১ অক্টোবৰত ষ্টক এক্সচেঞ্জত অফিচিয়েল ফাইলিঙত এই তথ্য ফাদিল হোৱাটো নিশ্চিত কৰিছে । এছবিআয়ে জনোৱা মতে, ডার্ক ৱেবত উপলব্ধ প্ৰায় ৩, ৭৫, ০০০ ৰেকর্ডৰ প্ৰাৰম্ভিক বিশ্লেষণৰ সময়ত ব্যক্তিগতভাৱে চিনাক্তকৰণযোগ্য তথ্য (PII) থকা ৩, ৮৯৭টা গ্ৰাহকৰ ৰেকর্ড চিনাক্ত কৰা হৈছে। বেংকটোৰ মতে, প্ৰাথমিক মূল্যায়নত এই কথা কোৱা গৈছে যে ডার্কৱেবত ফাদিল হোৱা তথ্যসমূহৰ ভিতৰত অন্যতম হ'ল গ্ৰাহকৰ নাম, ম'বাইল নম্বৰ, জন্মৰ তাৰিখ, ই-মেইল ঠিকনা, আবাসিক ঠিকনা, ৱ্ৰেগু আৰু গ্ৰাহকৰ চিনাক্তকৰণ তথ্যৰ লগতে ঋণ সম্পর্কীয় অভিলেখ। চাইবাৰ নিৰাপত্তা পর্যবেক্ষণকাৰী সংস্থা 'চাইবাৰ পাল্লফ-৫৬'য়ে

(নপৃষ্ঠাত চাওক)

পাণ্ডুঘাটৰ দেৱী বিসৰ্জনস্থলীত মুখ্যমন্ত্ৰী



ৰঙিলী বার্ত্তাসেৱা- বিজয়া দশমীৰ বিসৰ্জন অনুষ্ঠানৰ মাজতে গুৱাহাটীৰ পাণ্ডুঘাটৰ প্ৰতিমা বিসৰ্জনস্থলীত উপস্থিত হ'ল মুখ্যমন্ত্ৰী ডঁ হিমন্ত বিশ্ব শর্মা। শাৰদীয় দুর্গোৎসৱৰ বিজয়া দশমীৰ পৰিত্ৰ ক্ষণত পাণ্ডুঘাটৰ দেৱী বিসৰ্জনস্থলীত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে বিসৰ্জনৰ কার্যসূচী প্ৰত্যক্ষ কৰাৰ লগতে উদ্যোক্তাসকলৰ লগতে পাণ্ডুৰ স্থানীয় বাসিন্দাসকলৰ সৈতেও বার্তালাপত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে এই সন্দর্ভত মন্তব্য কৰে যে গুৱাহাটীত পূজাৰ সংখ্যা বৃদ্ধি পাইছে যদিও কোনো অশান্তি আৰু বিশৃংখল এই সময়ছোৱাত সংঘটিত হোৱা নাই। বিজয়া দশমীৰ পৰিত্ৰ ক্ষণত সামাজিক মাধ্যমত মুখ্যমন্ত্ৰীয়ে লিখিছে- শাৰদীয় দুর্গোৎসৱৰ বিজয়া দশমীৰ পৰিত্ৰ ক্ষণত শান্তি আৰু আনন্দমুখৰ পৰিৱেশৰ মাজত

(নপৃষ্ঠাত চাওক)

ডিব্ৰুগড়ত ১৯৫০ চনৰ বানত ব্ৰহ্মপুত্ৰৰ বুকুত সলিল সমাধি ঘটা ৬ শ্বহীদক স্মৰণ শ্বহীদ স্মৃতি ৰক্ষা সমিতিৰ



ৰঙিলী বার্ত্তাসেৱা- ১৯৫০ চনৰ ২২ অক্টোবৰত ডিব্ৰুগড়ত প্ৰৱল বানপানী হোৱাত ব্ৰহ্মপুত্ৰৰ সিপাৰে থকা ৰাইজক সাহার্য দিবলৈ গৈ ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত উটি গৈ সলিল সমাধি ঘটিছিল ক্ৰমে ডিব্ৰুগড়ৰ জীৱন ৰাম ফুকন, হনুমান প্ৰসাদ সিংহানিয়া, কলকাতাৰ মাৰৱাড়ী ৰিলিফ ছ'চাইটিৰ বাবুলাল পোদ্দাৰ, চক্ৰ বিষয়া অজয় মেচ, আৰক্ষী কনিষ্টবল গুৰচৰণ সিং আৰু উত্তৰ পাৰ ৰৰদলনিৰ নিবাসী ১৮ বছৰীয়া ছাত্ৰ ৰুদ্ৰ ৰৰঠাকুৰ। এই ছয় গৰাকী শ্বহীদক স্মৰণ কৰি ডিব্ৰুগড়ৰ স্মৃতি সুৰক্ষা সমিতি আৰু মাৰৱাড়ী সন্মিলনে প্ৰতিবছৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। এই উদ্দেশ্যে ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কার্যলয়ৰ সন্মুখত থকা শ্বহীদ উদ্যানত ছয় শ্বহীদৰ প্ৰতিমূর্ত্তিত শ্ৰদ্ধাঞ্জলি অর্পণ কৰা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে - ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, অসম চৰকাৰৰ পর্যটন বিভাগৰ অধ্যক্ষ ঋতুপর্ণ ৰৰুৱা, অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰ, শ্বহীদ পৰিয়ালৰ হৈ ভাই বোৱাৰী গীতা দেবী, জীৱন ৰাম ফুকনৰ জীয়াৰী বন্দনা ফুকন দাস, সমাজ সেৱক আত্মাৰাম আগৰৱালা আদিয়ে বন্তি প্ৰজ্বলন কৰে। মুকলি সভাত সভাপতিত্ব কৰে শ্বহীদ স্মৃতি ৰক্ষা সমিতি সভাপতি বিশ্বনাথ গাৰোডীয়া, বিশিষ্ট অতিথি তথা বিধায়ক প্ৰশান্ত ফুকন, ঋতুপর্ণ ৰৰুৱা, অসীম হাজৰিকা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঁ শশীকান্ত শইকীয়াসমাজ সেৱিকা

(নপৃষ্ঠাত চাওক)

শাৰদীয় আকাশত আজি লক্ষ্মী পূৰ্ণিমা



কল্পনা দত্ত, নুনমাটি, গুৱাহাটী

শৰতৰ স্নিগ্ধ জোনাক আৰু নিয়ৰসনা সুবাসেৰে ধৰিত্রী এতিয়া মতলীয়া। নিয়ৰৰ টোপালত মুকুতা মণিৰ দৰে জিলিকি উঠিছে শেৱালিৰ পাহিবোৰ, আৰু নৈৰ পাৰত কঁপি উঠিছে শুভ্ৰ কহুৱা। এনে এক অপূৰ্ব নৈসৰ্গিক পৰিৱেশৰ মাজতেই আজি ধৰালৈ নামি আহিছে ধন, ধান্য আৰু ঐশ্বৰ্যৰ অধিষ্ঠাত্রী দেৱী মহালক্ষ্মী।

শাৰদীয় আকাশৰ নিৰ্মল জোনাকৰ তলত সমগ্ৰ দেশৰ লগতে অসমতো আজি ভক্তিপূৰ্ণ পৰিৱেশত উদযাপন কৰা হৈছে লক্ষ্মী পূৰ্ণিমা অৰ্থাৎ কোজাগৰী লক্ষ্মী পূজা।

অসমীয়া সমাজ জীৱনত শাৰদীয় দুৰ্গোৎসৱৰ বিদায় বেলাৰ পিছতেই লক্ষ্মী পূজাৰ আয়োজনে এক বিশেষ মাত্রা লাভ কৰে। পথাৰত ধান পকিবলৈ ধৰা এই সময়ছোৱাত কৃষকৰ ঘৰবোৰ ভৰি পৰে নতুন আশাৰে। দেৱী লক্ষ্মীক কেৱল ধন-সম্পদৰ দেৱী হিচাপেই নহয়, ৱৰঞ্চ অন্নপূৰ্ণা আৰু শান্তিৰ প্রতীক হিচাপেও পূজা কৰা হয়। বিশ্বাস কৰা হয় যে লক্ষ্মী পূৰ্ণিমাৰ এই পবিত্র নিশাটোত দেৱী লক্ষ্মীয়ে স্বয়ং মৰ্ত্যলৈ নামি আহে আৰু ভক্তসকলক সুখ- সমৃদ্ধিৰ ৱৰদান দিয়ে।

'কোজাগৰী' শব্দৰ অৰ্থ হৈছে 'কোন সাৰে আছে?' অৰ্থাৎ যিসকল ভক্তই এই পবিত্র নিশাটো সাৰে থাকি দেৱীৰ আৰাধনা কৰে, তেওঁলোকৰ গৃহত ধন-ঐশ্বৰ্য চিৰস্থায়ী হয় বুলি জনবিশ্বাস আছে।

আজিৰ এই বিশেষ দিনটোক কেন্দ্র কৰি প্রতিটো অসমীয়া পৰিয়ালত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। পুৱাৰে পৰা ঘৰ-দুৱাৰ চাফ-চিকুণ কৰি পদুলিয়ে পদুলিয়ে, দুৱাৰে দুৱাৰে দেৱী লক্ষ্মীৰ আদৰণিৰ বাবে পিঠাগুৰিৰে আল্পনা আঁকি ভৰিৰ খোজ আঁকা হয় । সন্ধিয়া নামি অহাৰ লগে লগে প্রতিখন ঘৰৰ চোতাল, তুলসীৰ তল আৰু পদুলি চাকিৰ পোহৰেৰে আলোকিত হৈ পৰে । শংখৰ ধ্বনি, ডবা-কাঁহৰ শব্দ আৰু মংগলময় প্রার্থনাৰে মুখৰিত হয় আকাশ-বতাহ। মাহ-প্রসাদ, ভোগ আৰু ফল-মূলেৰে দেৱীৰ ওচৰত শৰণাপন্ন হয় সর্বসাধাৰণ।

আজিকালিৰ ব্যস্ততাপূর্ণ আৰু যান্ত্রিক জীৱনৰ মাজতো লক্ষ্মী পূৰ্ণিমাই মানুহৰ মাজলৈ কঢ়িয়াই আনে একাত্মতা আৰু সম্প্রীতিৰ বার্তা। এই উৎসৱে কেৱল ধর্মীয় ৰীতি-নীতিকে প্রতিনিধিত্ব নকৰে, ৱৰঞ্চ ই মানুহৰ মনৰ পৰা কলুষতা, সংকীর্ণতা আঁতৰাই সমাজত শান্তি আৰু ভাতৃত্ববোধ গঢ়ি তোলাত সহায় কৰে।

সামৰণিত ক'ব বিচাৰিছোঁ শাৰদীয় আকাশৰ পূর্ণ চন্দ্রৰ দৰেই প্রতিজন মানুহৰ জীৱন আনন্দ আৰু সন্তুষ্টিৰে ভৰি পৰক। এয়াই এই পবিত্র উৎসৱৰ মূল কামনা।

শৰতৰ আগমন




মনোৰঞ্জন ৰৱা,গোলাঘাট, দেৱগাঁও

ঋতুৰাণী শৰতৰ আগমনে অসমৰ প্রকৃতিৰ লগতে জনজীৱনলৈ এক অনাবিল আনন্দ আৰু সজীৱতা কঢ়িয়াই আনিছে। বর্ষাৰ ধাৰাসাৰ ৱৰষুণ আৰু বোকামুৰ পৰিৱেশৰ অন্ত পেলাই ধৰিত্রীয়ে এক নতুন ৰূপত আত্মপ্রকাশ কৰিছে। শৰতৰ এই মনোমোহা আগমন সঁচাকৈয়ে অপৰূপ আৰু অনন্য।

শৰতৰ আগমনে অসমৰ আকাশ-বতাহ এক শান্ত আৰু স্নিগ্ধ কোলাহললৈ ৰূপান্তৰিত কৰে। ধুমুহা আৰু ডাৰৰ ফালি আকাশখন গাঢ় নীলা ৰূপ ধাৰণ কৰে। আকাশত ভাঁহি ফুৰে শুকুলা ডাৰৰৰ টুকুৰাবোৰ, যেন আকাশখনে বগা চাদৰহে লৈছে। নদীৰ পাৰবোৰত ফুলি উঠে বগা কঁহুৱা ফুল। বতাহত কঁহুৱাৰ নাচে মনলৈ এক বিশেষ শিহৰণ আনে। ইয়াৰ উপৰিও নিয়ৰসনা পুৱাবোৰত শেৱালিৰ সুবাসে চৌপাশ আমোলমোলাই তোলে। পদুলিৰ বকুল আৰু মালতী ফুলেও শৰতৰ বন্দনা গায়। শৰতৰ আগমন কেৱল প্রকৃতিতে সীমাবদ্ধ নহয়, ই মানুহৰ মনবোৰকো উৎসৱমুখৰ কৰি তোলে। অসমীয়া সমাজৰ বাবে শৰত মানেই হ'ল উৎসৱ - পার্বনৰ বতৰ। এই ঋতুতে সনাতন ধর্মী লোকসকলৰ আটাইতকৈ ডাঙৰ উৎসৱ 'শাৰদীয় দুর্গাপূজা' অনুষ্ঠিত হয়। ইয়াৰ পাছতে আহে কাতি বিহু, লক্ষ্মী পূজা, দীপাৱলী আৰু ৰাসোৎসৱ। আনহাতে খেতিয়কসকলৰ বাবে ই আশাৰ বতৰ। আহাৰ - শাওন মাহৰ কঠোৰ পৰিশ্রমৰ ফচল শালি ধানবোৰে শৰতৰ নিয়ৰ পাই গেঁৰ মেলিবলৈ ধৰে, যাৰ ফলত খেতিয়কৰ মুখত হাঁহি বিৰিঙি উঠে। কাতি মাহৰ পথাৰৰ সুৰক্ষা আৰু মংগলৰ বাবে এই শৰত

(সাত পৃষ্ঠাত চাওক)


ভালপোৱাবোৰো ডিজিটেল হ'ল



হৰেন কপ্তাক

আজিকালি ভালপোৱাবোৰো সলনি হ'ল,
ক'বলগা কথাবোৰো নোৱাৰে ক'ব গোপনে।
ম'বাইলৰ অনুমতি অবিহনে
কোনোদিনে নোৱাৰে ক'ব লুকাই তোমালৈ,
যিদৰে ছাত্রই অংকৰ বহীখন শিক্ষকক দেখুৱায়
ঠিক সেইদৰেই ম'বাইলে সুধি থাকে -
কি ক'ব, কি লিখিব তোমালৈ?
আজিকালি মৰমবোৰো কিনিব লগা হ'ল,
টপ-আপ, প্রিপেইড,
ভিন্ন জাতৰ ভিন্ন দৰ,
প্রেমটো জি, এছ, টি এম, আৰ, পি লাগিল
কৰ দিব নোৱাৰে মানে ব্রেক্ আপ্, ব্লক ব্যস্ত
গামোচাৰ ঠাইত মবাইলৰ উপহাৰ
মৰমবোৰ সঁচাই সলনি হ'ল
তোমাৰ কথাবোৰকো ৰিচার্জ ভৰাই কিনিবলগা হ'ল
অন্যথা, ইনকামিং কল ইজ ন'ট এভেইলেবল
মানে ভালপোৱাবোৰো ডিজিটেল হ'ল


প্রস্তৰ



মিতালি ৰৱঠাকুৰ,মালিগাওঁ, আদর্শ কলনী

এতিয়া দুঃসময়
আদিম সভ্যতাৰ যবনিকা পৰিল যদিও
শেষ হোৱা নাই মানুহৰ সহজাত প্রবৃত্তি
সেই আদিমতা
চকুৰ দৃষ্টিত এতিয়াও সেই আদিম কামুকতা
নাৰী বোৰ একো একোটি শিল হৈ পৰিছে
যুগে যুগে তেওঁলোকে বুকুত কঢ়িয়াই ফুৰিছে
শিলৰ দৰে দুখ যন্ত্রণাৰ চাপ লগা
দুঃসময়ৰ বেদনা
কঠিন শিলৰ দৰে ঢাকি ৰাখিছে বুকুৰ
কামিহাড়ৰ অন্তৰালত চিৰাচিৰ কলিজা
বেদনাৰ বুকুত সি লৈছে
তেওঁলোকৰ সাহস আৰু ধৈর্য্যৰ কঠিন বুটাম
যাৰ বাবে নাৰী বোৰ ফুল হৈ ফুলিব পাৰে
মম হৈ গলিব পাৰে
চগা হৈ জুইত জপিয়াব পাৰে
শিলৰ দৰে বতাহ - ৱৰষুণ - ৰ'দৰ সীমাহীন তাপকো
অনায়াসে বুকুত কঢ়িয়াই ফুৰিব পাৰে
নাৰী বোৰ প্রস্তৰ -

উৎসৱৰ কোলাহল, আধুনিকতাৰ মৰীচিকা আৰু উৱলি যোৱা অনুশাসনঃ বুকুত জুই লৈ মাক-দেউতাকৰ চকুৰ পানী



শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী

দুৰ্গা পূজা, লক্ষ্মী পূজা, ৰাস বা বিহু-অসমীয়া জাতীয় জীৱনৰ বুকুত এইবোৰ কেৱল উৎসৱ নহয়, এয়া আমাৰ আবেগ, সংস্কৃতি আৰু সম্প্ৰীতিৰ একো একোটা পবিত্ৰ সুঁতি। শৰতৰ শেৱালিৰ সুবাসে হওক বা বসন্তৰ কুলীৰ মাতেই হওক, উৎসৱৰ আগমন ঘটিলেই আমাৰ সমাজখন আনন্দ আৰু উলাহেৰে জিলিকি উঠে। চাৰিওফালে পোহৰৰ মেলা, বুকু জোকাৰি যোৱা ঢোল-খোলৰ ধ্বনি আৰু মানুহৰ অপূৰ্ব মিলন। কিন্তু অতি পৰিতাপৰ কথা যে, আজিৰ তাৰিখত এই পবিত্ৰ উৎসৱৰ দিনবোৰতেই আমাৰ ৰাজপথসমূহ একো একোখন তেজৰ নৈ বৈ যোৱা ভয়ংকৰ কছাৰীশাললৈ ৰূপান্তৰিত হৈছে। উৎসৱৰ এই অনাবিল আনন্দক একাংশ পথভ্ৰষ্ট যুৱক-যুৱতীয়ে সুৰাৰ ৰাগী আৰু তীব্ৰবেগী বাহনৰ উন্মাদনাৰে কলংকিত কৰি তুলিছে। বাহন চলোৱাটো অপৰাধ নহয়, ই জীৱনৰ এক অনিবাৰ্য প্ৰয়োজন। কিন্তু যেতিয়া এজন চালকে সুৰাৰ নিচাত নিজৰ বিবেক-চেতনা বিসৰ্জন দি নিয়ন্ত্ৰণহীনভাৱে বাহনৰ গতিবেগ 'হাই-স্পীড'লৈ লৈ যায়, তেতিয়া মৃত্যুৰ বিভীষিকা নামি অহাটো একেবাৰে নিশ্চিত হৈ পৰে।

আটাইতকৈ বেদনাদায়ক বিড়ম্বনাটো হ'ল, আজি আমাৰ সমাজত ঘৰৰ পোহনীয়া গৰু- ছাগলী এজনী গধূলি সময়ত হেৰাই থাকিলে মানুহে বুকুৰ ধপধপনিৰে টৰ্চ লাইটজ্বলাই গোটেই খন হাহাকাৰ কৰি বিচাৰি ফুৰে। কিন্তু আচৰিত! নিজৰ বুকুৰ আমঠু সন্তানটো গোটেই দিন-ৰাতি ক'ত কাৰ সৈতে উচ্ছন্ন হৈ ঘুৰি ফুৰিছে, তাৰ খবৰ ল'বলৈ বহু মাক-দেউতাকৰ আহৰি নাই। তথাকথিত আধুনিকতাৰ ভণ্ড মুখা পিন্ধি আৰু টকা-পইচাৰ অন্ধ মোহত বিলীন হৈ একাংশ অভিভাৱকে সন্তানক সঠিক স্নেহ আৰু সময় নিদিয়া হৈছে। সন্তানৰ সপোনক বুজি পোৱাৰ পৰিৱৰ্তে দামী মোবাইল, ব্ৰেণ্ডেড কাপোৰ, হাতত প্ৰচুৰ পইচা আৰু তীব্ৰবেগী বাইক-গাড়ী তুলি দিয়িয়েই তেওঁলোকে নিজৰ দায়িত্ব শেষ হোৱা বুলি আত্মসন্তুষ্টি লাভ কৰে। এইয়া মৰম নহয়, এয়া আচলতে সন্তানৰ ভৱিষ্যতৰ চিতালৈ খৰি যোগান ধৰা এক আত্মঘাতী প্ৰক্ৰিয়াহে।

টকা আৰু ক্ষমতাৰ গৰ্বত অন্ধ হৈ বিশেষকৈ ধনী পৰিয়ালৰ একাংশ উশৃংখল ল'ৰা-ছোৱালীয়ে ৰাজপথক নিজৰ খেলাঘৰ বুলি ভাবি লয়। তেওঁলোকৰ এই অহংকাৰী তাণ্ডৱৰ বলি সদায় হ'ব লগা হয় কোনো পৰিয়ালৰ নিৰীহ মানুহোৰ। কোনো এজন দুখীয়া ব্যক্তি, যিয়ে হয়তো দিনটো হাড়ভঙা পৰিশ্ৰম কৰি নিজৰ পৰিয়ালৰ বাবে দুমুঠি অন্ন যোগাৰ কৰিছিল অথবা নিজৰ আই-বোপাই, সৰু ল'ৰা-ছোৱালীক লৈ পবিত্ৰ পূজা চাবলৈ আনন্দ মনেৰে ওলাই আহিছিল, তেনে এজন নিৰীহ পথচাৰীক এই মদমত্ত চালকবোৰে মুহূৰ্তৰ ভিতৰতে মহতিয়াই লৈ যায়। এটা ওফন্দি থকা সুন্দৰ সপোন, এটা হাঁহি-ধেমালিৰে ভৰা দুখীয়া পৰিয়াল মাত্ৰ কেইচেকেণ্ডমানৰ উশৃংখলতাৰ বাবে চিৰদিনৰ বাবে নিচিহ্ন হৈ পৰে। যিজন পুত্ৰ বা কন্যাক বুকুত বান্ধি হেজাৰ সপোনেৰে ডাঙৰ-দীঘল কৰিছিল, তেওঁলোকৰ নিথৰ দেহত, তেওঁলোকৰ চিতাত জুই জ্বলাই দিবলগা হোৱা মাক-দেউতাকৰ সেই বুকুভঙা আৰ্তনাদ আৰু চকুৰ পানীৰ বিচাৰ ইহসংসাৰত কোনে কৰিব? কোনো টকাৰ পাহাৰে বা আইনী মেৰপেচে সেই শূন্যতা কেতিয়াও পূ�ৰণ কৰিব নোৱাৰে।

মনত ৰখা দৰকাৰ, "কু-সংগ" বা বেয়া সংগ হৈছে মানৱ জীৱনৰ আটাইতকৈ ডাঙৰ অভিশাপ। প্ৰথম অৱস্থাত কোনো ল'ৰা-ছোৱালীয়েই নিজে নিজে পথভ্ৰষ্ট নহয়। কেৱল উশৃংখল বন্ধুৰ দলত পৰি বা সমাজত নিজক 'স্মাৰ্ট' দেখুৱাবলৈ গৈ প্ৰথমে সুৰা বা নিচাজাতীয় দ্ৰব্যৰ সোৱাদ লয় আৰু পিছলৈ ই সমগ্ৰ জীৱনটোক মেৰিয়াই ধৰা এক কালসৰ্প হৈ পৰে। গতিকে, সন্তানক কেতিয়াও 'অবাধ স্বাধীনতা'ৰ নামত উশৃংখল হ'বলৈ দিব নালাগে। স্বাধীনতা আৰু উশৃংখলতাৰ মাজত থকা সূক্ষ্ম প্ৰভেদজাক সন্তানক সৰুৰে পৰা বুজাব লাগিব। তেওঁলোকৰ বন্ধু-বৰ্গৰ গতি-বিধিৰ ওপৰত চোকা নজৰ ৰখাটো বৰ্তমান সময়ত প্ৰতিগৰাকী অভিভাৱকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব আৰু কৰ্তব্য।

যদি আমি সঁচাকৈয়ে আমাৰ সমাজখনক আৰু নৰ-প্ৰজন্মক এই ভয়াবহ বিপৰ্যয়ৰ পৰা ৰক্ষা কৰিব বিচাৰোঁ, তেন্তে প্ৰতিখন ঘৰতে একোটা সুস্থ, শান্তিপূৰ্ণ আৰু সংস্কাৰী পৰিৱেশ গঢ়ি তুলিব লাগিব। সন্তানক বিলাসী সামগ্ৰীৰ প্ৰতি আকৰ্ষিত কৰাৰ সলনি নৈতিক শিক্ষা, মানৱীয় প্ৰমূল্য আৰু আধ্যাত্মিক শিক্ষাৰে দীক্ষিত কৰিব লাগিব। মাক-দেউতাক প্ৰয়োজন সাপেক্ষে বজ্ৰতকৈও কঠোৰ হ'বই লাগিব, কাৰণ-"সময় থাকোতেই যদি আমি সাৱধান নহওঁ ভবিষ্যত দিনবোৰত আমি এই সুবিধা আৰু কেতিয়াও ঘুৰাই নাপাম।" আহক, আমি সকলোৰে সমাজৰ পৰা এই ভয়ংকৰ ব্যাধি দূৰ কৰিবলৈ অন্তৰৰ পৰা সজাগ হওঁ।

ৰবষুণৰ শব্দবোৰেই প্ৰিয়



শৰৎ দাস, গহপুৰ, ব্ৰহ্মাজান

ফেনেফুটুকাই বৈ অহা
নদীখনৰ কলকলনিতকৈ
ৰবষুণৰ টোপালবোৰৰ
মৃদু শব্দই
মোৰ বেছি প্ৰিয়।
নদীৰ দৰে খহাই নিনিয়ে
মোৰ থুনুকা হৃদয়ৰ গঢ়ন,
চপৰা চপৰে নাভাঙে
মোৰ সযতনে সাঁচি ৰখা
অস্তিত্বৰ ভঁৰালটো
শিল-ৰবষুণৰ শব্দবোৰো
ভাল নালাগে মোৰ-
অপৈণত মাংসপেশীৰ ওপৰত
নিমিষতে সিঁচি দিয়ে
অসহনীয় বিষাদ।
ধুমুহা, অথবা চুনামী-
সিহঁতৰ উন্মাদনাও
নালাগে ভাল;
অকালতে চুৰমাৰ কৰে
শিৰাৰ মাজত লুকাই ৰখা
কোমল সপোনবোৰ।
সেয়ে
ৰবষুণৰ শব্দবোৰেই
প্ৰিয় এতিয়া-
টোপালৰ মৃদু ছন্দত
লহপহকৈ বাঢ়ি আহে
মোৰ বুকুৰ ভিতৰত
ভালপোৱাৰ সেউজীয়া সপোনবোৰ।

শৰতৰ আগমন

কালতেই 'কাতি বিহু' বা 'কঙালী বিহু' উদযাপন কৰা হয়।

বৰ্ষাৰ ক্লান্তি আঁতৰাই শৰতে মানুহৰ মনলৈ কঢ়িয়াই আনে এক গভীৰ প্ৰশান্তি। পুৱাৰ কোমল ৰ'দ আৰু সন্ধিয়াৰ শীতল বতাহে শৰীৰ আৰু মন সতেজ কৰি তোলে। কবি-সাহিত্যিকসকলৰ বাবে শৰতকাল এক বিশেষ প্ৰেৰণাৰ উৎস। শৰতৰ জোনাক নিশাৰ সৌন্দৰ্যই মানুহক আধ্যাত্মিক আৰু নান্দনিক অনুভূতিৰে উপচাই পেলায়। শৰতৰ আগমন মানেই হ'ল সৌন্দৰ্য, পৰিত্ৰতা আৰু আনন্দৰ মিলনভূমি। ই আমাক মলিনতা আঁতৰাই এক নতুন জীৱনবোধৰ শিক্ষা দিয়ে। প্ৰকৃতিৰ এই অনুপম উপহাৰ শৰত কাল সঁচাকৈয়ে সকলোৰে বাবে অতি আদৰৰ আৰু প্ৰিয় ঋতু।

সুৰৰ শৰতত ড° ভূপেন হাজৰিকা...



কবিতা শর্মা, নতুন দিল্লী

যোৱাখণ্ডৰ পৰা...

মই এক যক্ষ মহানগৰীৰ
মিছলীয়া মৰমত কাৰাৰুদ্ধ
সোঁৱৰণীশ্ৰাৱনতে আৱদ্ধ

গীতিকাৰে মহা-নগৰীৰ কৃত্ৰিম, পঙ্কিল আৰু স্বাৰ্থপৰ মৰম - স্নেহৰ মাজত নিজকে কাৰাৰুদ্ধ যেন অনুভৱ কৰিছে। চহৰৰ মিছা মৰমৰ পৰা আঁতৰি তেওঁৰ মনটো অতীতৰ এক সচা প্ৰেমৰ শ্ৰাৱণ সিক্ত সোঁৱৰণীত আৱদ্ধ হৈ পৰিছে।

নিয়ন চাকিয়ে আজি চকু টিপিয়াই
শৰত- সন্ধ্যা মহানগৰী সজাই
মাদকতা সানি আজি লিখিছোঁ চিঠি
চঞ্চল মেঘে যেন তাকে কঢ়িয়াই

এই গীতটোত প্ৰেমৰ গভীৰ বেদনা প্ৰকাশ পাইছে যদিও গীতিকাৰে এই বেদনাক কেবল এক যন্ত্ৰণাৰ সলনি প্ৰকৃতিৰ সুন্দৰ ৰূপৰ সৈতে একাকাৰ কৰি পেলাইছে। গীতটোত প্ৰেমৰ সেই বিষাদময় অনুভৱটোত কস্তুৰীৰ দৰেই এক পবিত্ৰ আৰু সজীব সুবাসেৰে ভৰাই তুলিছে। ই কেবল এক প্ৰেমৰ গান নহয়। ই হ'ল, নগৰীয়া আধুনিকতাবাদ আৰু প্ৰাচীন ভাৰতীয় কাব্যিক চেতনাৰ এক অভূতপূৰ্ব সংমিশ্ৰণ। অপূৰ্ব শব্দচয়ন আৰু অলংকাৰৰ প্ৰয়োগে গীতটিক অসমীয়া সাহিত্যৰ এক উৎকৃষ্ট সৃষ্টি হিচাপে প্ৰতিষ্ঠা কৰিছে। অসমীয়া সংগীত জগতৰ আন এক চিৰসেউজ আৰু অনন্য আবেগিক শাৰদীয় গীত -

শৰতৰ শেৱালিৰ নতুন নিয়ৰে
শুভ্ৰ শুভ্ৰ কিবা ছবি আঁকে
শুকুলা ডাঁৰৰৰ পতাকা উৰুৱাই
মুকুতিৰ গীত গাই শৰালি জাকে

এই গীতটি এক সুৰীয়া, আশাবাদী আৰু দাৰ্শনিক ভাব সম্পন্ন গীত। গীতটিত প্ৰকৃতিৰ সৰু- সৰু উপাদানক জীৱনৰ বিশালতা আৰু ইতিবাচক দৃষ্টিৰে সুন্দৰ ভাবে তুলি ধৰা হৈছে। শৰতত ফুলা শেৱালি ফুলৰ ওপৰত পৰা নিয়ৰৰ টোপালবোৰে শুভ্ৰতা আৰু পবিত্ৰতাৰ প্ৰতীক। আকাশত ভাঁহি থকা বগা ডাঁৰৰ বোৰ যেন মুকুতিৰ জাজ্বল্যমান পতাকা। সেই পতাকা উৰুৱাই জাক পাতি উৰি যোৱা শৰালিবোৰ যেন মুক্তিৰ এক জীৱন্ত প্ৰতিচ্ছবি। নাই কোনো বন্ধন, নাই কোনো সীমাৰেখা - আছে কেৱল বিস্তৃত আকাশ আৰু নিজ গন্তব্যৰ দিশে উৰি যোৱাৰ স্বাধীনতা...

নিয়ৰ বিন্দু হ'ল জীৱন দাপোন
তাতেই দেখোঁ মই আশাৰ সপোন
ক্ষুদ্ৰতে বিশালক যদি বিচাৰাঁ
দেখিবা বিন্দুতে সিন্ধু থাকে

গীতিকাৰে ইয়াত আধ্যাত্মিক দৰ্শনৰ এক গভীৰ সত্য প্ৰকাশ কৰিছে। পাতৰ আগত জিলিকি থকা ক্ষুদ্ৰ নিয়ৰৰ টোপালটোক গীতিকাৰে জীৱনৰ দাপোনৰ লগত তুলনা কৰিছে। দৃষ্টিভঙ্গী ইতিবাচক হ'লে এটা সামান্য পানীৰ টোপালৰ মাজতো সমগ্ৰ মহাসাগৰৰ বিশালতা বিচাৰি পাব পাৰি।

শৰতৰ আকাশ কিয় বুটলিম
ৰিক্ত ৰিক্ত মন কিয় আদৰিম
বন্ধ বন্ধ সীমা কিমান সহিম
মুগ্ধ - মুগ্ধ মই আকাশ দেখি
স্নিগ্ধ স্নিগ্ধ ফুল মনেৰে লেখি
মুক্ত মুক্ত কহুঁৰাৰ নাচোনে
হহুৱাই নিৰাশাৰ ফাঁকে ফাঁকে

শৰত অহাৰ লগে লগে সৰি পৰা পাতবোৰক গীতিকাৰে অতীতৰ কোনো ৰিক্ততাৰ সৈতে তুলনা কৰি কৈছে যে, সেই ৰিক্ততাক মনৰ মাজত সাঁচি ৰাখিব নালাগে। নিজকে সংকীৰ্ণতাৰ ঠেক গণ্ডীৰ মাজত আবদ্ধ নাৰাখি আকাশৰ বিশালতা আৰু প্ৰকৃতিৰ উদাৰতাকহে আকোঁৱালি লব লাগে। শৰতৰ স্নিগ্ধ ফুল আৰু নৈৰ পাৰৰ কহুঁৱা বনৰ মুক্ত নাচোনে মানুহৰ মনৰ সকলো হতাশা আঁতৰাই পেলায়। শৰতৰ এই বিনন্দীয়া ৰূপে জীৱনৰ নিৰাশাৰ মাজতো মুখত আশাৰ হাঁহি বিৰিঙাই তোলে।

এই গীত কেৱল এক ঋতু বন্দনা নহয়। ই হ'ল জীৱন জীওঁৱাৰ এক উৎকৃষ্ট অনুপ্ৰেৰণা দায়ক গীত। ড° ভূপেন হাজৰিকাই এই গীতত সৰল প্ৰাকৃতিক ৰূপক ব্যৱহাৰ কৰি মানুহক অতীতৰ দুখ পাহৰি, মনৰ সকলো সংকীৰ্ণতা ত্যাগ কৰি মুক্ত আকাশৰ দৰে উদাৰ হৈ ক্ষুদ্ৰৰ মাজতো বিশালতাৰ সন্ধান কৰিবলৈ শিকাইছে। ড° ভূপেন হাজৰিকাৰ এক অনন্য প্ৰেম ভাবাত্মক গীত হ'ল-

নতুন নিমাতী নিয়ৰৰে নিশা
জীৱন জিলিকা জোনাকৰে নিশা
আৰু তুমি নিচেই চিনাকি

গীতটিৰ আৰম্ভণিতে এক শান্ত স্নিগ্ধ আৰু জিলমিল জোনাক নিশাৰ ছবি আঁকা হৈছে। গীতটোত শাৰদীয় নিশা প্ৰকৃতিক পৰিৱেশৰ পটভূমিত মানৱীয় প্ৰেম, কামনা আৰু মিলনৰ এক গভীৰ, সংযত তথা নান্দনিক ৰূপ প্ৰকাশ পাইছে।

শৰতৰ এক নিয়ৰসিক্ত নিস্তব্ধ নিশা... জীৱনৰ পোহৰ বিলোৱা জোনাক জিলিকি উঠিছে। বহু দিনৰ অপেক্ষাত, হৃদয়ত কঢ়িয়াই লৈ ফুৰা প্ৰেয়সীৰ উপস্থিতি কৰিয়ে অনুভৱ কৰিছে। নিৰিবিলি পৰিৱেশত প্ৰেয়সীয়ে যেন নিচেই চিনাকী ৰূপত ধৰা দিছে।

মোৰ যৌৱন আজি উচ্ছল
জলমল সৰসীত নাচে পঙ্কজ
কামনাৰ পৰাণো পূৰ্ণ হয়
নিশাটি

সৰোবৰ সদৃশ মনৰ সৰসীত পংকজ কামনা নাচি উঠিছে। প্ৰেয়সীক ওচৰত পায়ো তেওঁৰ হৃদয়ত যেন এক ব্যকুলতা ৰৈ গৈছে। যাৰ বাবে এই মিলন অবিহনে নিশাটি অপূৰ্ণ যেন অনুভৱ হৈছে।

নাই বৈভৱ, নাই ৰূপ
নাই নাই গুণাৱলী
তথাপি সঁপিলো
মৰম সিক্ত অঞ্জলি।

প্ৰেমিকৰ হয়তো কোনো বৈভৱ নাই, তথাকথিত বাজ্যিক ৰূপ বা অতুলনীয় গুণাৱলীও নাই, কিন্তু আছে এক পৰিত্ৰ মন আৰু সেই পবিত্ৰ মন আৰু নিৰ্ভেজাল প্ৰেমেৰে সিক্ত মৰমৰ অঞ্জলি তেওঁ প্ৰেয়সীৰ চৰণত উচৰ্গা কৰিছে। সচা প্ৰেম বাহ্যিক চমকতাৰ ওপৰত নিৰ্ভৰশীল নহয়।

মাৰ বক্ষত মধু উত্তাপ ভৰা
কম্পিতা, স্তম্ভিতা তুমি আজি
জীৱনো পূৰ্ণ হয় নিশাটি

প্ৰেমাস্পদৰ বক্ষৰ মাজত সোমাই থকা প্ৰেমৰ সেই মধু উত্তাপ অনুভৱ কৰি, প্ৰেয়সী আজি লাজ আৰু আৱেগত কম্পিতা আৰু স্তম্ভিতা.... আত্মিক আৰু শাৰীৰিক মিলনৰ ফলস্বৰূপে অপূৰ্ণ নিশাটো পূৰ্ণ হৈ যেন জীৱনটোৱেই সাৰ্থক হৈ পৰিছে।

এই গীতটো কাব্য সংগীতৰ এক শ্ৰেষ্ঠ নিদৰ্শন। ড° ভূপেন হাজৰিকাই অতিশয় শালীনতা আৰু নান্দনিকতাৰে প্ৰেমৰ আবেগ, আকুলতা আৰু কামনা - বাসনাক প্ৰকৃতিৰ স্নিগ্ধতাৰ সৈতে বিলীন কৰি দিছে। সৰসী, পংকজ, কম্পিতা, স্তম্ভিতা আদি তৎসম শব্দৰ প্ৰয়োগে ইয়াক এক গভীৰ সাহিত্যিক মৰ্যাদা প্ৰদান কৰিছে। গীতটোৰ সুৰটো সোলোকাই মাথোন কবিতাৰ লেখীয়াকৈ পঢ়ি তাৰ আস্বাদ বেলেগ ধৰণে লব পাৰি।

এই গীতটো তেখেতে পোন প্ৰথমবাৰৰ বাৰে গাইছিল - গুৱাহাটীৰ ৰাজ্যিক পুথিভৰালৰ এক সাংস্কৃতিক অনুষ্ঠানত। তেওঁৰ কণ্ঠত গীতটো শুনি কবি নৱকান্ত বৰুৱাই কৈছিল "মোহময় মন্ত্ৰৰ নিচিনা।"

ড° ভূপেন হাজৰিকাৰ গীতসমূহ বিশ্লেষণ কৰিলে সততে কেইটামান দিশ চকুত পৰে - অপৰূপ শব্দ সংযোজনা, যাৰ গীতি মাধুৰ্য্যই সহজতে শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিব পাৰে। সহজ, সৰল আৰু চিনাকি চিত্ৰকল্প আৰু প্ৰতীক বোৰে গধুৰ বিষয় বস্তুকো সুমধুৰ ৰূপত প্ৰকাশ কৰে। আশাপূৰ্ণ দৃষ্টি ভঙ্গী, সমাজৰ জটিল সমস্যাকো সহজ সমাধানেৰে আগবঢ়াই নিয়াৰ প্ৰয়াস, নিৰাশাক কেতিয়াও স্থান দিব নিবিচৰা এক বাস্তৱ চেষ্টা তেওঁৰ গীতৰাজিৰ অন্যতম দিশ। সমাজৰ সকলো শ্ৰেণীৰ লোক, জাতীয় সমস্যা, প্ৰকৃতি, প্ৰেম আদি নতুন নতুন বিষয় বস্তুক গীতৰ জৰিয়তে জীৱন্ত ৰূপ দি তেওঁ গীতক সৰ্ব স্তৰলৈ লৈ যাব পাৰিছিল।

যাৰ বলিষ্ঠ কণ্ঠই আছিল অস্ত্ৰ, গীতত আছিল সুধা তথা জাতিটোৰ প্ৰাণ, তেৱেঁই হ'ল আমাৰ চিৰ নমস্য ড° ভূপেন হাজৰিকা। কালজয়ী শিল্পী জনে অসমীয়া জাতিটোক অনন্ত কাললৈ জীয়াই ৰাখিবলৈ যি শিকনি আৰু প্ৰেৰণা দি থৈ গ'ল সেয়া তেওঁৰ গীত মাথোঁ এবাৰ শুনিলেই প্ৰতিজন চেতনাবান অসমীয়াৰ শিৰাই শিৰাই প্ৰবাহিত হয়। বিশ্ব দৰবাৰত মূৰ তুলি থাকিবলৈ জাতিটোৰ বাবে কৰণীয় খিনি গীতৰ মাধ্যমেৰে কৈ থৈ গৈছে। তেখেতে অসমৰ আকাশে - বতাহে এনে টো তুলি আহিছে যে তেখেতৰ গীতে আলোড়িত নকৰা এখন অসমীয়া হৃদয় বিচাৰি উলিওৱা টো হয়তো অসম্ভৱ।

ড° ভূপেন হাজৰিকাৰ দৰে প্ৰতিভা কেবল ভাৰততে নহয় সমগ্ৰ বিশ্বতে বিৰল। তেখেতৰ গীতৰ বৈচিত্ৰ্য - সেয়া তেখেতৰ স্বকীয় সম্পদ। আন কাৰো লগতেই তেখেতৰ তুলনা নহয়। তেখেতৰ মঞ্চানুষ্ঠান দেখা ৰাইজে জানে তেখেতৰ মুখৰ কথাবোৰ একো - একোটা গীত সদৃশ। তেখেতৰ কথাৰ মাজেৰে প্ৰকাশ পাইছিল তেখেতৰ অধ্যয়ন পুষ্ট আৰু অভিজ্ঞতাৰ বহল পৃথিৱী এখন।।

সম্প্ৰতি বহু অসমীয়া গীত সমাজ বিচ্ছিন্ন, বাদ্যযন্ত্ৰ সৰ্বস্ব অসংগীতলৈ ৰূপান্তৰিত হৈছে যেন। সমাজ জীৱনত অহিত সাধন কৰা পৰিৱৰ্তন নিশ্চয় কাৰো কাম্য নহয়। ভোগ সৰ্বস্ব চিন্তাৰ অৱসান ঘটাবলৈ আমাক ড° ভূপেন হাজৰাকাই দি যোৱা শব্দ আৰু সুৰৰ মিলনেৰে মানুহৰ জয়গান গোৱা সুস্থ আৰু সুষমধাৰাটোৰ নিতান্তই প্ৰয়োজন।

অসম বাসীৰ বাবে শৰৎ কালটো ভূপেন হাজৰিকাৰ স্মৃতিৰে সিক্ত। ২০১১ চনৰ ৫ নৱেম্বৰত শৰতৰ এক পৰিপক্ক সময়তে তেখেতে মৃত্যু বৰণ কৰিছিল। প্ৰতি বছৰে নিয়ৰ সৰা আৰু শেৱালি ফুলা সময়ত ভূপেন দাৰ স্মৃতি স্বতঃস্ফূৰ্ত ভাবে নামি আহে।

সংগীতৰ এক বৰ্ণিল যাত্ৰাৰে এই মহান শিল্পী গৰাকীয়ে হাজাৰ জনক মোহিত কৰি থৈ গ'ল। কায়িক ভাবে তেখেত আমাৰ মাজৰ পৰা হেৰাই গ'লেও তেখেতৰ সুধা কণ্ঠেৰে শ্ৰোতাৰ হৃদয়ত চিৰদিন জীয়াই থাকিব।

মা দুৰ্গাৰ আশীৰ্বাদেৰে সমাজৰ পৰা সকলো অন্যায়, অবিচাৰ আৰু অন্ধকাৰ দূৰ হওক। শৰতৰ এই স্নিগ্ধ শেৱালি সুবাসে আপোনালোক সকলোৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল সুখ - শান্তি, সমৃদ্ধি আৰু সুস্বাস্থ্য। আহক আমি সকলোৱে মিলি এক সুস্থ, সুন্দৰ আৰু প্ৰদুষণ মুক্ত সমাজ গঢ়াৰ সংকল্প লওঁ।

অহা ৩০ বছৰলৈও

গৃহমন্ত্রীগৰাকীয়ে কয়, 'আমি জানো যে আপুনি আমাৰ কথা শুনিব নোৱাৰে। আপুনি বিদেশৰ ক'ৰবাত বহি আছে। আপুনি তাৰ কাৰণো ব্যাখ্যা কৰা নাই। এয়া আপোনাৰ ব্যক্তিগত কথা। কিন্তু দিল্লীত ভৰি দিয়াৰ পিছত আপুনি আমাৰ কথা শুনিব- জানি থওক যে অহা ৩০ বছৰলৈও আপোনালোকে ক্ষমতালৈ আহিব নোৱাৰিব। ' কংগ্রেছে যে যোৱা কেইবাবছৰো ধৰি অধিকাংশ ৰাজ্যত ক্ষমতাৰ বাহিৰত আছে সেই কথাও মনত পেলাই দিয়ে শ্বাহে। তেওঁ কয়,'যেতিয়া আমি কওঁ যে বিজেপি ৩০ বছৰলৈ ক্ষমতাত থাকিব, তেতিয়া তেওঁলোকে জনসাধাৰণক বুজায় যে নিৰ্বাচনত কাৰচাজি হৈছে। নহ'লে অমিত শ্বাহে কিদৰে জানিলে?' তেওঁ লগতে কয়, 'আমি কাকোৱেই দেখা নাই যে যিয়ে প্রতি ছমাহৰ মূৰে মূৰে বিদেশলৈ ঢাপলি মেলে। আমি ইয়াতে জন্মিছোঁ, ইয়াতেই আছোঁ আৰু ইয়াতেই মৃত্যুবৰণ কৰিম। ' ইণ্ডি মৰ্চা আৰু ক'কৰোচ জনতা পার্টীৰ নেতৃত্বত চলি থকা আন্দোলনৰ সময়তে ৰাহুল গান্ধীৰ বিদেশ ভ্রমণক লৈ পূৰ্বৰ দৰেই কটাক্ষ কৰিছে বিজেপিয়ে। দলটোৱে দাবী কৰে যে দিল্লীত প্রতিবাদৰ সময়ত 'মিছা চিৎকাৰ' কৰি কৰি ভাগৰি পৰি ৰাহুল গান্ধী গুচি গৈছে।

ডিব্রুগড়ৰ ৰেডক্রছ

কৰি কাম কৰি যোৱা এই অনুষ্ঠানটিৰ বিষয়ে ডাঃ কাকতিয়ে ছ'ছাইটিৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্রুতিকৰৰ লগত বিস্তৰ ভাৱে আলোচনা কৰে আৰু এই মহান কার্যত ব্রতী হোৱা প্রত্যেক গৰাকী ব্যক্তিলৈ তেখেতৰ কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পুর্বে চছাইটিৰ সদস্যা সকলে পুৱা ১৯৫০ চনৰ ২২ অক্টোবৰত প্রলয়ংকৰী বানত দুখনকৈ নাওঁত ৰাইজক সাহার্য আগবঢ়াবলৈ গৈ ব্রহ্মপুত্রৰ কোবাল সোঁতত উটি গৈ সলিল সমাধি ঘটি শ্বহীদ হোৱা ডিব্রুগড়ৰ জীৱন ৰাম ফুকন, হনুমান প্রসাদ সিংহানিয়া, কলকাতাৰ মাৰৱাড়ী ৰিলিফ ছ'চাইটিৰ বাবুলাল পোদ্দাৰ, চক্র বিষয়া অজয় মেচ, আৰক্ষী কনিষ্টবল গুৰচৰণ সিং, উত্তৰ পাৰৰ বৰদলনিৰ নিবাসী ১৮ বছৰীয়া ছাত্র ৰুদ্র বৰঠাকুৰক শ্রদ্ধাৰে স্মৰণ কৰে।

ষষ্ঠীৰ বেদীত প্রতিষ্ঠা

অধিক পূজাস্থলীত পূজা কৰা হৈছিল। জানিব পৰা মতে, মহানগৰীৰ লাচিত ঘাটত ২৮০খন পূজা মণ্ডপৰ প্রতিমা বিসর্জন দিয়া হ'ব। আনহাতে বিজয়া দশমী উপলক্ষে অসমবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্রীগৰাকীয়ে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি কয়- বিজয়া দশমী উদযাপনৰ এই সময়তে আহক আমি অশুভৰ বিৰুদ্ধে শুভ শক্তিৰ জয়ৰ পৰা প্রেৰণা লওঁ আৰু আভ্যন্তৰীণ শক্তিৰে সবল, এক উমৈহতীয়া উদ্দেশ্যেৰে একত্রিত আৰু ইয়াৰ প্রগতিৰ পথত সমৃদ্ধিশালী অসম গঢ়াৰ সংকল্পক আৰু অধিক শক্তিশালী কৰোঁ । তেওঁ লগতে কয়, মা দুর্গাৰ আশিসে আমাক সৎ পথত আগবাঢ়িবলৈ সাহস প্রদান কৰক, প্রতিগৰাকী অসমবাসীৰ জীৱনলৈ কঢ়িয়াই আনক সুখ-শান্তি আৰু সমৃদ্ধি। ঐক্য, বিশ্বাস আৰু দৃঢ়তাৰে আমি সকলোৱে মিলি আগু�ৰাই যাওঁ এখন নতুন অসমৰ দিশে। শুভ বিজয়া দশমী!

পাণ্ডুঘাটৰ দেৱী

অগণন ভক্তিপ্রাণ লোকৰ উপস্থিতিত গুৱাহাটীৰ পাণ্ডু ঘাটৰ দেৱী বিসর্জনস্থলীত উপস্থিত থকাৰ সৌভাগ্য লাভ কৰোঁ। মা দুর্গাৰ আশীর্বাদে প্রতিগৰাকী অসমবাসীৰ জীৱনলৈ শান্তি, সমৃদ্ধি, শক্তি আৰু মংগল কঢ়িয়াই আনক। ভক্তি, সম্প্রীতি আৰু ঐক্যৰ এনাজৰীৰে আমাৰ সমাজ সদায় সমৃদ্ধ হৈ থাকক এয়াই অন্ত:কৰণেৰে কামনা কৰোঁ। মা- আকৌ আহিবা। আনহাতে এই পৰিৱেশক লৈ মুখ্যমন্ত্রীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয়- বিজয়া দশমী হৈছে অপশক্তিৰ বিৰুদ্ধে শক্তিৰ বিজয়। যোৱা কেইটামান দিনত যি অপশক্তিয়ে গা কৰি উঠিছিল, বিজয়া দশমী কায চপাৰ লগে লগে এই অপশক্তিবোৰ ইতিমধ্যে ম্লান হৈছে। মই ভাবোঁ, আমি সদায়ে সমাজত অশুভ শক্তিৰ পৰাজয় আৰু শুভ শক্তিৰ বিজয় দেখা পাম, এই পৰম্পৰা অতীজৰে পৰা চলি আহিছে আৰু আগলৈও চলি থাকিব।

সমনাগৰিক সংহিতাৰ বিধি

ওপৰত নির্ভৰশীল নহ'ব। যোৱা ২৭ মে'ত অসম বিধানসভাত ধ্বনি ভোটৰ জৰিয়তে সমনাগৰিক সংহিতা বিধেয়ক গৃহীত হৈছিল। ইয়াৰ জৰিয়তে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষণ, লিভিং সম্পর্ক আদিৰ দৰে বিষয়সমূহত এক উমৈহতীয়া আইনী পৰিকাঠামো প্রৱর্তনৰ পদক্ষেপ গ্রহণ কৰা হৈছে। অৰশ্যে ৰাজ্যৰ খিলঞ্জীয়া জনজাতীয় সমাজসমূহৰ পৰম্পৰা, সামাজিক গাঁথনি আৰু স্বনিয়ন্ত্রিত সাংস্কৃতিক ব্যৱস্থাৰ প্রতি সমান সম্মান প্রদর্শনেৰে এক গুৰুত্বপূর্ণ সিদ্ধান্ত গ্রহণ কৰিছে অসম চৰকাৰে। সেই অনুসৰি সংবিধানৰ ৩৪২নং অনুচ্ছেদৰ অধীনত অন্তর্ভুক্ত জনজাতীয় সমাজক ইয়াৰ আওতাৰ পৰা বাহিৰত ৰখা হৈছে। ইউচিচিয়ে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষণৰ দৰে চিন্তনীয় বিষয়ত সকলো নাগৰিকক আইনৰ দৃষ্টিত সমান মর্যাদা লাভ কৰাটো নিশ্চিত কৰিব। সামগ্রিকভাৱে বিশেষকৈ ৰাজ্যৰ নাৰীশক্তিৰ সুৰক্ষা, মর্যাদা আৰু অধিকাৰ নিশ্চিত কৰাৰ ক্ষেত্রত এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'বলগীয়া ইউচিচিৰ দ্বাৰা বিবাহ বিচ্ছেদ ব্যৱস্থা সৰলীকৰণ হ'ব। পৰকীয়া সম্পর্ক, নিষ্ঠুৰ ব্যৱহাৰ, দুবছৰৰ অধিক সময় পৰিত্যাগ, অন্য ধর্মলৈ ধর্মান্তৰকৰণ, মানসিক অসুস্থতা, ইউচিচি উলংঘা কৰি পুনৰ বিবাহ আদিৰ ভিত্তিত বিবাহ বিচ্ছেদৰ আবেদন কৰিব পাৰিব। মহিলাক ইউচিচিয়ে এক বিশেষ সুৰক্ষা প্রদান কৰিব।

ৰামলীলা ময়দানত ৰাৱণ দাহন

ওপৰত সত্য সনাতনৰ বিজয়ৰ বিশ্বাস। ভাষণ প্রসংগত তেওঁ আৰু কয়-'বিজয়া দশমীৰ এই শুভলগ্নত আমি প্রভু শ্রীৰাম, মা জানকী আৰু বজৰংবলীৰ চৰণত প্রণিপাত জনাওঁ। এই পৱিত্র পৰিৱেশত আমি দেশৰ সকলো লোককে বিজয়া দশমীৰ আন্তৰিক শুভেচ্ছা জনালোঁ।' ভাষণত মোদীয়ে মন্তব্য কৰে- 'আমাৰ দেশৰ শত্রুসকলৰ বিৰুদ্ধে একেলগে যুদ্ধ কৰিব লাগিব। যি শক্তিসমূহে দেশৰ সন্মান ক্ষুণ্ণ কৰে, যিসকলে সমাজত বিভেদ সৃষ্টি কৰে আৰু আমাৰ সংস্কৃতিক ঘৃণা কৰে তেওঁলোকেই দেশৰ শত্রু। আজি বিজয়া দশমীৰ এই শুভলগ্নত আমাৰ সেই সংকল্প পুনৰ গ্রহণ কৰিব লাগিব। মা ভাৰতীৰ শত্রুসকলক আমি চিনিব লাগিব আৰু তেওঁলোকক পৰাজিত কৰিব লাগিব।' প্রধানমন্ত্রীয়ে ভাৰতক সম্পূর্ণৰূপে স্বনির্ভৰ কৰি তোলাৰ ওপৰত ইমানদিনে জোৰ দি অহাৰ দৰে এই ভাষণতো তাক দেখিবলৈ পোৱা যায়। তেওঁ কয়- 'এখন দেশ তেতিয়াহে আগুৰাই যাব পাৰে, যেতিয়া সি নিজৰ সম্পদৰ জৰিয়তে নিজৰ প্রয়োজন পূৰণৰ সক্ষমতা অর্জন কৰে।' ভগৱান ৰামৰ শিক্ষাৰ প্রসংগ টানি প্রধানমন্ত্রী মোদীয়ে কয় যে এই শিক্ষাই মানুহক শিকাইছে কিদৰে নিজৰ সম্পদ ব্যৱহাৰ কৰি বিভিন্ন সমস্যাৰ সমাধান বিচাৰি উলিয়াবলগীয়া হয়। আনহাতে দিল্লীৰ দ্বাৰকাৰ ছেক্টৰ ১০ত বিজয়া দশমী উপলক্ষে আয়োজিত ৰাৱণ দাহৰ অনুষ্ঠানত উপস্থিত আছিল দেশৰ ৰাষ্ট্রপতি দ্রৌপদী মুর্মু। ৰাৱণৰ প্রতিমূর্তিলৈ প্রতীকী কাড় নিক্ষেপ কৰি ৰাষ্ট্রপতি দ্রৌপদী মুর্মুৱে 'ৰাৱণ দহন' কার্য সম্পন্ন কৰে। তাৰ পাছতে ভাষণ প্রসংগত ৰাষ্ট্রপতি মুর্মুৱে কয়, দেশবাসীলৈ বিজয়া দশমী শুভেচ্ছা জনালো। এই উৎসৱ অধর্ম আৰু অন্যায়ৰ ওপৰত ধর্ম আৰু ন্যায়ৰ বিজয়ৰ উৎসৱ। দেশ বিভিন্ন স্থানত আয়োজিত ৰাৱণ দাহৰ কার্যসূচীৰ দ্বাৰা ৰামৰ বাণী বা মহান আদর্শসমূহ স্মৰণ কৰা হয় ।

ডার্কৱেবত ফাদিল ষ্টেট বেংক

শেহতীয়াকৈ সামাজিক মাধ্যমত দিয়া পোষ্টত দাবী কৰে যে এছবিআইৰ ট্রাই ৩ লাখ ৮০ হাজাৰ গ্রাহকৰ তথ্য ডার্কৱেবত ফাদিল হৈ গৈছে। তাৰ ভিতৰত আছে গ্রাহকসকলৰ ব্যক্তিগত তথ্য, আৱাসিক ঠিকনা, ঋণৰ আবেদন, প্রয়োজনীয় নথিপত্র আৰু আবেদন সম্পর্কীয় অন্যান্য ৰেকর্ড। যোৱা ১৬ অক্টোবৰত প্রথমে খবৰটো পোহৰলৈ আনে চাইবাৰ পাল্লফ-৫৬য়ে। তেওঁলোকে দাবী কৰে যে এই চাইবাৰ আক্রমণৰ নেপথ্যত আছে 'ছিৱিয়াছিম' নামৰ এটা হেকাৰ গোষ্ঠী। চাইবাৰ নিৰাপত্তা সংস্থাটোৱে আৰু দাবী কৰে যে এই সংবেদনশীল তথ্যসমূহ কমা-ছেপাৰেটিভ ভেল্যু বা চিভিএছ ফর্মেটত আছে হেকাৰসকলৰ ওচৰত। লগতে তেওঁলোকৰ ওচৰত আছে ২, ৭২২টা পিডিএফো। চাইবাৰ পাল্লফ-৫৬ৰ এই দাবীৰ চাৰি দিন পিছত মুখ খুলিছে এছবিআয়ে। তেওঁলোকে খবৰটো নিশ্চিত কৰিছে। বেংক কর্তৃপক্ষৰ ফালৰ পৰা জনোৱা মতে, বৃহৎ চাইবাৰ আক্রমণৰ জৰিয়তে হেকাৰসকলৰ বেংকৰ গ্রাহকসকলৰ তথ্য ভাঙাৰত প্রৱেশ কৰি উলিয়াই নিছে বহুতো সংবেদনশীল তথ্য। ডার্কৱেবত ফাদিলৰ বিষয়টোও স্বীকাৰ কৰি লৈছে ভাৰতৰ সর্ববৃহৎ ৰাষ্ট্রীয়কৃত বেংকটোৱে। সমগ্র ঘটনাটোত পুংখানুপুংখ তদন্ত কৰা হ'ব বুলিও জনাইছে তেওঁলোকে। ডাটা লীক হোৱাৰ কথা নিশ্চিত হোৱাৰ লগে লগে এছ বি আয়ে তৎক্ষণাত নিজৰ চাইবাৰ ইনচিডেণ্ট ৰেছপ'ণ্ড (Cyber Incident Response) আৰু প্রিভেনচন প্রট'কল কার্যকৰী কৰে। ইয়াৰ উপৰিও এই ডাটা লীকৰ সম্পূর্ণ তদন্তৰ বাবে এটা স্বতন্ত্র চাইবাৰ সুৰক্ষা সংস্থাক নিয়োগ কৰা হৈছে । এই সংস্থাই নির্ধাৰণ কৰিব যে হেকাৰসকলে বেংকৰ ব্যৱস্থাসমূহ ক'ত আৰু কেনেকৈ ভংগ হ'লে, ভৱিষ্যতে ডাটা লীক হোৱাৰ সম্পূর্ণ প্রতিৰোধ নিশ্চিত কৰিব ।

ডিব্রুগড়ত ১৯৫০ চনৰ বানত

তথা কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যাপক ড° ভাৰতী দত্ত আদিয়ে ভাষণ প্রদান কৰে। শ্বহীদ কেইগৰাকীয়ে তেওঁলোকৰ ডিব্রুগড়বাসীৰ প্রতি থকা মৰম আৰু দায়বদ্ধতা থকাৰ কথা কোৱাৰ লগতে ভাষণ প্রসঙ্গত ছয় গৰাকী ব্যক্তিয়ে কেনেকৈ গৈ ব্রহ্মপুত্রৰ কোবাল সোঁতত দুখন নাওঁত উটি গৈছিল সেই বিষয়ে বক্তা সকলে কয়। মুকলি সভাতে বিধায়ক ফুকনে শ্বহীদ উদ্যানখনৰ উন্নয়নৰ ক্ষেত্রত বিধায়ক পুঁজিৰ পৰা পার্য্যমানে ধন আগবঢ়াব বুলি কোৱাৰ লগতে উদ্যানখন অত্যাধুনিক ভাৱে সজাই পৰাই তোলাৰ আশ্বাস প্রদান কৰে। শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিৰ সভাপতি প্রকাশ গগৈয়ে সেই সময়ৰ প্রলয়ংকাৰী বানে কেনেকৈ বিধ্বস্ত কৰিছিল সেই গুৰুত্ব পূর্ণ কথাবোৰ জনায়। সম্পাদক অনিল প্রসাদ সিংহই আঁত ধৰা অনুষ্ঠানত ডিব্রুগড় মাৰোৱাৰী সম্মিলন বিষয় ববীয়া আৰু ৰেডক্রছ ছ'চাইটিৰ বিষয়ববীয়া সকলৰ উপৰিও সমিতিৰ, পৱন গাৰোডীয়া, মানিক বৈশ্য, ৰঞ্জিত মেছ, সুৰেশ আগৰৱালা, মদন কোঁৱৰ, হেমন্ত হাজৰিকা, নিৰজ সিংহানীয়া, সমাজ সেৱক তথা সাংবাদিক এম হাছিম আলী, পেঞ্চন সত্থাৰ সম্পাদক মৃদুল শর্মা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

জি এম চি এইচত উত্তৰ-পূবৰ

আৰু ৰক্তবাহী নলীৰ অস্ত্ৰোপচাৰ বিভাগ, অচেতনকাৰী চিকিৎসা বিভাগ আৰু হস্তক্ষেপমূলক ৰঞ্জন ৰশ্মি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলেও সহযোগিতা আগবঢ়ায়। চিকিৎসক, নার্ছ আৰু অন্যান্য স্বাস্থ্য কর্মীৰ সমন্বিত প্ৰচেষ্টাৰ ফলতে এই সফলতা সম্ভৱ হৈ উঠে। ইফালে জিএমচিএইচত সফলতাৰে সম্পন্ন হোৱা যকৃত সংৰোপণৰ এই অস্ত্ৰোপচাৰক লৈ সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ডঁ হিমন্ত বিশ্ব শর্মাই লিখিছে- অসমত দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ ৰাজহুৱা খণ্ডৰ স্বাস্থ্যসেৱা গঢ়ি তোলাৰ দিশত আমি আগবাঢ়িছোঁ আৰু আজি এই যাত্ৰাত আমি আন এক মাইলৰ খুঁটি অতিক্ৰম কৰিবলৈ সক্ষম হ'লোঁ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালে অসমত প্ৰথমবাৰৰ বাবে এখন চৰকাৰী চিকিৎসালয়ত যকৃত সংৰোপণৰ সফল অস্ত্ৰোপচাৰ সম্পন্ন কৰিছে। ১৬ ঘণ্টীয়া এই অস্ত্ৰোপচাৰত ৪৮ বছৰীয়া এজন ব্যক্তিৰ শৰীৰত তেখেতৰ কনিষ্ঠা ভগ্নীয়ে প্ৰদান কৰা যকৃত সংৰোপণ কৰা হয়। ভগ্নীগৰাকীৰ সাহস আৰু ত্যাগে তেখেতৰ ককায়েকক জীৱনৰ এক নতুন সুযোগ প্ৰদান কৰিলে। এই সফলতাৰ বাবে সমগ্ৰ চিকিৎসক আৰু স্বাস্থ্যকর্মীৰ দলটোক মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। দাতা আৰু গ্ৰহণকাৰী-দুয়োগৰাকী বর্তমান আই চি ইউত চিকিৎসকৰ নিবিড় তত্ত্বাৱধানত আছে আৰু ক্ৰমাং সুস্থ হোৱাৰ দিশে আগবাঢ়িছে। ২০২৫ চনত যকৃত সংৰোপণ কার্যসূচী আৰম্ভ কৰাৰ সময়তে আমি এক স্পষ্ট সিদ্ধান্ত লৈছিলোঁ-জীৱনদায়ী জটিল চিকিৎসা সেৱা অসমৰ মাটিতেই, আমাৰ চৰকাৰী চিকিৎসালয়সমূহত, প্ৰতিগৰাকী নাগৰিকৰ বাবে উপলব্ধ হ'ব লাগিব। আজি সেই সিদ্ধান্তই বাস্তৱ সফলতাৰ ৰূপ লৈছে। এয়া আৰম্ভণিহে। আমি ৰাজ্যজুৰি কর্কট ৰোগীয় চিকিৎসাৰ এক বিস্তৃত নেটৱর্ক গঢ়ি তুলিছোঁ, জি এম চি এইচত অস্থিমজ্জা সংৰোপণৰ সুবিধা উপলব্ধ কৰিছোঁ আৰু অতি সোনকালে গুৱাহাটীত ৰাজহুৱা খণ্ডৰ অধীনত ভাৰতৰ প্ৰথমটো প্ৰ'টন বিম থেৰাপী ইউনিট স্থাপন কৰিবলৈ আগবাঢ়িছোঁ। আমাৰ লক্ষ্য স্পষ্ট-অসমক পূব ভাৰতৰ স্বাস্থ্যসেৱাৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলা। চিকিৎসাৰ বাবে অসমৰ ৰোগীয়ে যাতে আৰু অসমৰ বাহিৰলৈ যাবলগীয়া নহয়, বৰঞ্চ উন্নত চিকিৎসাৰ সন্ধানত দেশৰ আন প্ৰান্তৰ পৰাও ৰোগী অসমলৈ আহে, সেয়াই আমাৰ সংকল্প।

বন বিভাগৰ কর্মচাৰীৰ বাবে

হোৱাৰ লগে লগে এদিনতে তেওঁলোকৰ বদলিৰ নির্দেশ জাৰি হয়। প'টেল মুকলি উপলক্ষে লোকসেৱা ভৱনৰ সংবাদ সম্মিলন কক্ষত আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঁ শর্মাই কয় যে ৰাজ্য চৰকাৰে নিযুক্তিৰ পিছত বদলিৰ ক্ষেত্ৰত স্বচ্ছতা অনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। বিগত দুটা বছৰত 'স্বাগত সতীর্থ' প'টেলৰ জৰিয়তে বদলি কৰা হৈছে পাৰস্পৰিক বদলি বিচৰা কেইবাহাজাৰ কর্মচাৰীক। বন বিভাগে অনলাইন ৰেণ্ডমাইজেচনৰ জৰিয়তে বদলিৰ ব্যৱস্থা কৰিছে। চৰকাৰৰ প্ৰতিটো বিভাগে বদলি প্ৰক্ৰিয়া বছৰৰ এটা নির্দিষ্ট দিনত সম্পন্ন কৰিলে বদলিৰ ক্ষেত্ৰত স্বচ্ছতা বাঢ়িব। লগতে কর্মচাৰীসকলৰ কার্যদক্ষতাও বৃদ্ধি পাব। এই প্ৰসংগত আন বিভাগসমূহকো অনুৰূপ বদলি প্ৰক্ৰিয়া গ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। অসমৰ বনাঞ্চলত হোৱা বেদখল হ্ৰাস কৰাত ৰাজ্য চৰকাৰ সফল হোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ডঁ শর্মাই পুনৰ কয় যে ৰাজ্য চৰকাৰে উচ্ছেদ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। শেহতীয়াকৈ বেদখলমুক্ত কৰা হৈছে ৬০০ হেক্টৰতকৈও অধিক বনভূমি। বর্তমানেও বেদখলৰ কবলত থকা বনভূমিৰ এটা তথ্য ভাণ্ডাৰ প্ৰস্তুতৰ তেওঁ পোষকতা কৰে। মুখ্যমন্ত্ৰী ডঁ শর্মাৰ মতে বেদখলমুক্ত হোৱা বনভূমিত লগে লগে বনানিকৰণ কৰিব লাগে, যাতে অসমত সেউজ আৱৰণ বৃদ্ধি পায়। কাজিৰঙাত গঁড় হত্যা নোহোৱা হৈছে যদিও আন বন্যপ্ৰাণীৰ সুৰক্ষাৰ ক্ষেত্ৰতো বন বিভাগক গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত পৰিৱেশ-বন-জলবায়ু পৰিৱর্তন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ দেৱাশিস শর্মা, ভাৰপ্ৰাপ্ত মুখ্য সচিব অজয় তিৱাৰী, পৰিৱেশ-বন-জলবায়ু পৰিৱর্তন বিভাগৰ বিশেষ মুখ্য সচিব এমকে যাদৱ প্ৰমুখ্যে বিভাগটোৰ কেইবাজনো শীর্ষ বিষয়া উপস্থিত থাকে। তদুপৰি ৰাজ্যৰ বিভিন্ন স্থানত কর্মৰত বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলে আভাষীয়ভাৱে কার্যসূচীত ভাগ লয়।

হোটেলৰ বন্ধ কোঠাত উদ্ধাৰ

আনহাতে কালি পুৱা খর্গেশ্বৰ ৰাভাই পৰিয়ালৰ সৈতে যোগাযোগৰ চেষ্টা চলাইছিল যদিও পৰৱর্তী সময়ত যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। ইতিমধ্যে পত্নী আৰু সন্তান আহি উপস্থিতি হৈছে। তেওঁলোকৰ লগত আৰক্ষীয়ে কথা-বতৰা পাতি আছে। খর্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। আৰক্ষী বিষয়া মাহাত্তাই তদন্তৰ স্বার্থত অধিক তথ্য প্ৰকাশৰ পৰা বিৰত থাকে। ইফালে হোটেলখনৰ সঞ্চালক প্ৰবীণ কুমাৰ বৈশ্যই কয় যে হোটলখনত আৰক্ষী বিষয়া ৰাভাই অকলে আহি উপস্থিত হৈছিল। তেওঁৰ লগত চালক বা দেহৰক্ষী কোনো নাছিল। হোটেলত আহি উপস্থিত হোৱাৰ পিছৰে পৰা খর্গেশ্বৰ ৰাভাই অত্যধিক সুৰাপান কৰি আছিল। হোটেলৰ ফালৰ পৰা খাদ্য যোগান ধৰি আহিছিল যদিও সেইসমূহ গ্ৰহণ কৰাৰ পৰা বিৰত আছিল। যোৱা ২০ অক্টোবৰৰ নিশা ১০.৪৫ বজাত হোটেলৰ কর্মচাৰীয়ে শেষবাৰলৈ কোঠাৰ ভিতৰত প্ৰৱেশ কৰি নিৰামিষ খাদ্য যোগান ধৰিছিল। ইয়াৰ পিছতে বুধবাৰৰ দিনটো কোঠাৰ দর্জা ভিতৰৰ পৰা সম্পূর্ণ বন্ধ অৱস্থাত আছিল। বৃহস্পতিবাৰে হোটেলৰ কর্মচাৰীয়ে কোঠাৰ পৰা দুর্গন্ধ বিয়পি পৰা বুলি খবৰ দিয়াত আৰক্ষীক অৱগত কৰা হৈছিল। আৰক্ষী আহি কোঠাৰ ভিতৰৰ পৰা খর্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ কৰে। খর্গেশ্বৰ ৰাভাই আহি সাধাৰণভাৱে বেগ বা কাপোৰ আদি নোলোৱাকৈ হোটেলখনত উপস্থিত হৈছিল। হোটেলত থকাৰ সময়ত তেওঁ নিজৰ কোঠাৰ পৰা ওলোৱা-সোমোৱা কৰা নাছিল। বন্ধ কোঠাটোৰ ভিতৰত উদ্ধাৰ হৈছে দুটাকৈ মদৰ বটল। ইফালে হোটেলৰ সঞ্চালক প্ৰবীণ কুমাৰ বৈশ্যই ঘটনাৰ বিষয়ে আৰক্ষীক এজাহাৰ দাখিল কৰিছে। হোটেলখনৰ কোঠা বঙাইগাঁৱৰে লোহা নিলামৰ সৈতে জড়িত কিশোৰ হালৈ নামৰ ব্যৱসায়ী এজনে বুকিং কৰিছিল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে খর্গেশ্বৰ ৰাভাই বিগত কেইবা বছৰ পূর্বে বঙাইগাঁৱত কর্মৰত আছিল। খর্গেশ্বৰ ৰাভাৰ ঘৰ বকোত যদিও কাহিলিপাৰাৰ চৰকাৰী আৱাসত পৰিয়ালসহ বসবাস কৰা বুলি জানিব পৰা গৈছে। ইপিনে বিয়লিৰ ভাগত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত বঙাইগাঁও চিকিৎসা - মহাবিদ্যালয় আৰু হস্পিতাল প্ৰাংগণত আৰক্ষী বিভাগৰ তৰফৰ পৰা বিষয়াগৰাকীৰ নশ্বৰ দেহত চেলামী জনাই শেষ শ্ৰদ্ধা নিবেদন কৰা হয়। বঙাইগাঁও জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাতো, অতিৰিক্ত আৰক্ষী অধীক্ষক ডঁ কাবেৰী কৌৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) জয়ন্ত বৰুৱা, উপ আৰক্ষী অধীক্ষক নির্মালী বর্মনসহ কেইবাগৰাকী উচ্চপদস্থ বিষয়া উপস্থিত থাকি নশ্বৰ দেহত শেষ শ্ৰদ্ধা -নিবেদন কৰে।

পূৰবী ৰয়ক মহিলা

শ্ৰীমতী পূৰবী ৰয়ক তৎকালে স্ৰকার্যকৰী হোৱাকৈ নিযুক্তি প্ৰদান কৰা হ'ল । আপোনাক প্ৰদান কৰা এই গুৰু দায়িত্ব নিষ্ঠা আৰু সক্ৰিয়তাৰে আগবঢ়াই নিব বুলি বিশ্বাস ব্যক্ত কৰিলো লগতে আপোনালৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলো । দলৰ জ্যেষ্ঠ কার্যকর্তা পূৰবী ৰয়ক অসম বিজেপিৰ মহিলা মর্চাৰ ৰাজ্যিক সভানেত্ৰী হিচাবে দায়িত্বভাৰ দিয়াৰ পাছতে স্বাস্থ্যমন্ত্ৰী অশোক সিংহলেও তেওঁক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। ইফালে নতুন দায়িত্ব লাভৰ পাছত পূৰবী ৰয়ে কয়- আজি সঁচাকৈ ভাল লগা দিন। এই দায়িত্ব লাভৰ পিছত মই যথেষ্ট আৱেগিক হৈছোঁ। কাৰণ যোৱা ১২টা বছৰে বিজেপিত কাম কৰি থকাৰ লগতে যোৱা ৭ বছৰ মহিলা মর্চাৰ লগত জড়িত হৈ আছোঁ। যোৱা তিনিটা কার্যকাল মহিলা মর্চাৰ সাধাৰণ সম্পাদিকাৰ দায়িত্বত থকাৰ এই যাত্ৰা সঁচাকৈ ভাল লগা। এনে দীঘলীয়া সময়ৰ পিছত আজি দলে যি প্ৰাপ্য সম্মান দিছে, তাৰ কাৰণে মুখ্যমন্ত্ৰী ডঁ হিমন্ত বিশ্ব শর্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিজেপিৰ পতাকাখন যাতে সদায় ওপৰত ৰাখিব পাৰোঁ, সেই লক্ষ্যৰে আগন্তুক দিনত মই কাম কৰি যাম।

যশস্বী গায়িকা ঊষা

এইবাৰ মনোনীত কৰা হৈছে দেবীপ্ৰসাদ বাগ্ৰোদিয়া (সমাজকর্মী), হলিচৰণ নার্জাৰী (ফুটবল খেলুৰে), চিমু দাস (ক্ৰিকেট তাৰকা), হৰকান্ত বসুমতাৰী (তৈল খেজুৰ খেতিয়ক), ধনজিৎ তালুকদাৰ (সাঁচিপাত সংৰক্ষণ কর্মী), নিবেদিতা য়েইন (খাদ্য আৰু পর্যটন উদ্যোগী), মায়ংক চক্ৰৱর্তী (দবা খেলুৰে), জিতেন চাৰাংফাংচা (আদা খেতিয়ক), তনুমায়া সোণাৰ বিশ্বকর্মা (দুগ্ধ পালন), দীকপাল লাহন (ভ্ৰমণ আৰু পর্যটন)ৰ লগতে দুটাকৈ স্বেচ্ছাসেৱী অনুষ্ঠান ক্ৰমে সোণাপুৰৰ কলং-কপিলী আৰু এফপিঅ' গোলাঘাটৰ পদুমপথাৰ এগ্ৰ'অ'গেনিক প্ৰডিউচাৰ কোম্পানীক। মুখ্যমন্ত্ৰীয়ে আজি ইয়াকো উল্লেখ কৰে যে চলিত বর্ষৰ ডিচেম্বৰ মাহত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে এই বছৰৰ ভিতৰতেই ২০২৬ চনত অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাও ঘোষণা কৰা হ'ব। এই বঁটাৰ বাবে ইতিমধ্যে গ্ৰহণ কৰা উপ-মন্ত্ৰী গোটে মনোনীত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। উল্লেখ্য যে অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাৰ বাবে মন্ত্ৰী ডাঃ ৰণোজ পেগু, জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্ত আৰু অজন্তা নেওগক লৈ গঠন কৰা হৈছে উপ-সমিতি।

আন্তঃৰাষ্ট্ৰীয় এদিনীয়াত

শুভেচ্ছা জ্ঞাপন কৰে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট যাত্ৰাৰ এই গুৰুত্বপূর্ণ পদক্ষেপ গ্ৰহণৰ সময়ত তেওঁলোকে জিণ্টিমণিৰ সামর্থ্যৰ ওপৰত গভীৰ আস্থা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ডঁ হিমন্ত বিশ্ব শর্মাই সামাজিক মাধ্যমযোগে জিণ্টিমণি কলিতাক অভিনন্দন জনায়। তেওঁ কয় যে, অসমৰ ক্ৰিকেট জগতৰ বাবে আন এক গৌৰৱময় ক্ষণ! জিম্বাব'ৱেৰ বিৰুদ্ধে প্ৰথমখন মহিলা এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ভাৰতীয় দলৰ হৈ অভিষেক ঘটাই অসম জীয়ৰী প্ৰতিভাৱান বেগী বলাৰ শ্ৰীজিণ্টিমণি কলিতাই ৰাজ্যলৈ কঢ়িয়াই আনিছে নতুন গৌৰৱ। অসমৰ গৌৰৱ উমা ছেত্ৰীৰ পাছত জিণ্টিমণিৰ এই আন্তঃৰাষ্ট্ৰীয় অভিষেক অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে আন এক উল্লেখযোগ্য মাইলৰ খুঁটি। ঘৰুৱা ক্ৰিকেটৰ পৰা মহিলা প্ৰিমিয়াৰ লীগ (WPL) আৰু ভাৰত 'এ' দলৰ হৈ নিজৰ দক্ষতা প্ৰমাণ কৰি আন্তঃৰাষ্ট্ৰীয় পর্যায়ত উপনীত হোৱা জিণ্টিমণিৰ এই সাফল্যই অসমৰ ক্ৰীড়া জগতকো যথেষ্ট অনুপ্ৰাণিত কৰিব। তেওঁলৈ আন্তৰিক অভিনন্দন আৰু উজ্জ্বল ভৱিষ্যতৰ শুভকামনা। ভাৰতীয় দলৰ হৈ তেওঁ আৰু বহু সফলতা অর্জন কৰি অসমৰ নাম উজলাই তোলক।

অৱসৰৰ এবছৰ পূর্বৰে

উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লিখিছে- অৱসৰ মানে মনৰ শান্তি হওক। কাগজৰ কাম নহয়। উপযুক্ত সময়ত অৱসৰপ্ৰাপ্ত কর্মচাৰীয়ে লাভ কৰিব পেন্সন। উল্লেখ্য যে ৰাজ্যৰ অৱসৰপ্ৰাপ্ত কর্মচাৰীসকলে দীঘলীয়া মেৰপেঁচৰ বাবে পেন্সন লাভৰ ক্ষেত্ৰত যাতনা ভুগি আহিছে। আনকি এইক্ষেত্ৰত কেইবাবাৰো ৰাজ্য চৰকাৰে তথা মুখ্যমন্ত্ৰীয়ে অৱসৰপ্ৰাপ্ত কর্মচাৰীসকলৰ পেন্সন অৱসৰৰ দিনাই লাভ কৰাৰ নিশ্চয়তা প্ৰদান কৰিবলৈ নির্দেশ জাৰি কৰিছে। এনে নির্দেশৰ পাছতো বিভিন্ন কাৰিকৰী সমস্যা তথা নিয়ম-নীতিৰ দোহাই দি কর্মচাৰীসকলে পেন্সন লাভৰ ক্ষেত্ৰত সম্মুখীন হৈ আহিছিল নানা সমস্যাৰ। এনে সমস্যা দূৰ কৰাৰ লক্ষ্যৰে এতিয়াৰে পৰা এবছৰ পূর্বেই কর্মচাৰীসকলৰ পেন্সন সম্পর্কীয় নথি প্ৰস্তুত কৰাৰ বাবে যাৰতীয় নির্দেশনা জাৰি কৰা হৈছে।

ENGLISH NEWS SECTION

Assam Governor calls on Union Home Minister Amit Shah in New Delhi



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya called on Union Minister of Home Affairs and Cooperation Shri Amit Shah in New Delhi on Wednesday and extended his warm greetings on the auspicious occasion of Vijayadashami. He also conveyed his heartfelt birthday wishes to the Union Minister. During the meeting, the Governor apprised Shri Amit Shah of a range of initiatives undertaken by Lok Bhavan, Assam, to nurture patriotism, strengthen the spirit of national responsibility and instill the ethos of 'Nation First' among the youth. He also briefed the Union Home Minister on the initiatives undertaken by Lok Bhavan to support the objectives of Nasha Mukt Bharat, including state-wide awareness campaigns aimed at combating substance abuse and fostering a healthier society, in keeping with the national vision of a Swasth Bharat and Viksit Bharat. The Governor further highlighted the initiative 'Namo Matrubhoomi: Rashtriya Suraksha avam Swavalamban Sankalp Saptah', which seeks to deepen awareness of national security, promote self-reliance, encourage a drug-free society and reinforce a sense of duty towards the nation among young people. Emphasising the importance of sustained public engagement in nation-building, Shri Acharya sought the Union Home Minister's guidance on strengthening the implementation of these initiatives, broadening public participation and enhancing their outreach and impact, particularly among the youth. The interaction also underscored the significance of coordinated efforts towards youth empowerment, national security, self-reliance and inclusive development, with particular relevance to Assam's border regions. The Governor reiterated that such people-centric initiatives are intended to foster a stronger sense of national consciousness and collective responsibility, while encouraging citizens, especially the youth, to contribute meaningfully to the larger national endeavour of building a secure, Atmanirbhar and a Viksit Bharat.

India defeated New Zealand by 4 wickets




RB News: India defeated New Zealand by 4 wickets in the second T20 International at Hagley Oval in Christchurch today to take a 2-0 lead in the five-match series. Tilak Varma smacked 51 not out as India beat New Zealand by four wickets in the second T20I to take a 2-0 lead in the five-match series here on Saturday.Chasing 180, India slipped to 112 for six in the 15th over but Tilak turned the tables on New Zealand, scoring 51 not out off 26 balls with six fours and a six. The world champions collapsed from 40/0 to 112/6, with Mitchell Santner's four-fer causing havoc in the middle overs. The hope was reinstated by a quickfire 31 in 17 balls by Naman Dhir, and it was Tilak (51* in 26 balls, with six fours and a six) and Nitish (26* in 13 balls, with a four and a six) who took India to victory with a ball left. India is 2-0 up in the five-match series.

India defeated Zimbabwe by nine wickets



RB News: India defeated Zimbabwe by nine wickets in the teams' first-ever women's ODI on Friday, taking a 1-0 lead in the three-match series. Chasing a target of 198 runs, India cruised to victory in just 27.1 overs, with nine wickets in hand and 22.5 overs to spare. Pratika Rawal struck an unbeaten 100 off 96 balls, including 15 boundaries, to register her third century in the 50-over format. Earlier, Shree Charani returned career-best figures of four for 23 to restrict Zimbabwe. Beloved Biza was the top scorer for Zimbabwe, with 62 runs off 92 balls.Earlier, India's bowlers restricted Zimbabwe to 197 runs in 49.5 overs after the visitors won the toss and elected to bat. Pratika Rawal was adjudged Player of the Match.

Sumit defends his Asian Para Games javelin gold



RB News: Indian javelin thrower Sumit Antil led India's medal sweep in the men's F42-44/61-64 combined event at the Asian Para Games 2026 by defending his gold medal on Friday. he 28-year-old Antil, a two-time Paralympics gold winner and world record holder, sent his spear to a distance of 72.46m in his second attempt to win the gold. He had won the 2023 Asian Para Games gold with the then world record of 73.29m. He later bettered it to 74.82m in May this year. Mahendra Gurjar (F42) and Sandip Sargar (F44) brought the silver and bronze medals. Mahendra hurled the spear to 59.03m and collected 1066 Raza points, while Sandip achieved a distance of 64.48m and accumulated 1006 Raza points. Both the athletes broke the Games record in their categories.

Kieron Pollard named MI head coach



RB News: Mumbai Indians (MI) have appointed ex-West Indies all-rounder Kieron Pollard as their new head coach ahead of IPL 2027. The five-time IPL champions announced the appointment on Saturday, with Pollard replacing Mahela Jayawardene. Pollard had been working as the batting coach of Mumbai Indians for the past few seasons and will take over the role of the head coach following the exit of Mahela Jayawardene. "Mumbai Indians are pleased to announce the elevation of Kieron Pollard to Head Coach, extending one of the most enduring player-to-coach associations in cricket," MI said in a statement. "Pollard's appointment reflects Mumbai Indians' commitment to building on the team's legacy while continuing to develop talent, strengthen its culture and pursue excellence on and off the field," the franchise said.

শিশু গল্পৰ শিৰোনাম

সকলোৰে মৰমৰ জুবিন মামা

জুবিন গার্গ বুলি ক'লে চিনি নোপোৱা মানুহ হয়টো নোলাব। অসমৰ ইকোণৰ পৰা সিকোণলৈ তেওঁৰ গীতৰ কলিয়ে মুখেৰে গুণগুণাই। তেওঁ কেৱল এজন জনপ্রিয় গায়কেই নাছিল; তেওঁ আছিল এগৰাকী শিল্পী, সংগীতজ্ঞ আৰু সমাজৰ প্রতি দায়বদ্ধ ব্যক্তি। সৰু-ডাঙৰ সকলোৰে মাজত তেওঁ জনপ্রিয় আৰু অতি মৰমৰ আছিল। সেয়েহে বহুতে মৰমতে তেওঁক "জুবিন মামা" বুলি মাতিছিল।

জুবিন গার্গে অসমৰ সংগীত জগতক এক নতুন পৰিচয়েৰে গঢ়ি তুলিছিল। অসমীয়া গানৰ উপৰি তেওঁ হিন্দী, বাংলা আদি বিভিন্ন ভাষাতো গান গাইছিল। তেওঁৰ কণ্ঠত এক বিশেষ মাধুর্য আছিল। তেওঁৰ গানত প্রেম, দুখ, আনন্দ আৰু সমাজৰ প্রতি থকা দায়বদ্ধতাৰ কথা শুনিবলৈ পোৱা গৈছিল। সেইবাবেই তেওঁৰ গান কেৱল মঞ্চতে সীমাবদ্ধ হৈ নাছিল; মানুহৰ হৃদয়লৈকে অন্তর্নিহিত হৈ আছিল।

কিন্তু জুবিন মামাৰ পৰিচয় কেৱল এজন গায়ক হিচাপে দিলে তেওঁৰ সম্পূর্ণ পৰিচয় আধৰুৱা হৈ ৰ'ব। তেওঁ মানুহক ভাল পাইছিল। সমাজৰ অসহায় আৰু দুখীয়া মানুহৰ কাষত সদায় থিয় দিছিল। মানুহে মানুহক সহায় কৰিলেহে সমাজখন আগু�ৰাই যাব বুলি বিশ্বাস কৰিছিল। কোনো মানুহৰ দুখ দেখি তেওঁ নীৰৱে বহি থাকি ভাল নাপাইছিল। এদিন এখন বিদ্যালয়ত শিক্ষকে ছাত্র-ছাত্রীসকলক জুবিন মামাৰ বিষয়ে কৈ আছিল। সপ্তম শ্রেণীৰ ছাত্র হর্ষিতে মন দি কথাবোৰ শুনি আছিল।

ঃ তোমালোকে জানানে, জুবিন গার্গে মানুহক কেৱল গান গাই আনন্দ দিয়া নাছিল। সমাজৰ বাবেও বহুকথা ভাবিছিল। তেওঁ বিচাৰিছিল- মানুহে জাতি, ধর্ম বা পৰিচয়ৰ ভেদাভেদ পাহৰি মিলাপ্রীতিৰে থকাটো।

ঃ ছাৰ, এজন গায়কে সমাজৰ বাবে ইমান কথা কিয় ভাবিছিল? হর্ষিতে সুধিলে।

ঃ কাৰণ এজন প্রকৃত শিল্পীয়ে কেৱল নিজৰ কথা নাভাবে। তেওঁ সমাজৰ সুখ-দুখৰ অংশীদাৰ হয়। জুবিন মামাৰ জীৱনৰ পৰা আমি সেই কথাই শিকিব পাৰোঁ।

ভাল মানুহ হ'বলৈ কেৱল ডাঙৰ কাম কৰিব নালাগে; আনৰ বাবে ভাল কাম কৰাৰ ইচ্ছা থাকিলেই কৰিব পাৰি। জুবিন মামাৰ প্রকৃতিৰ প্রতিও গভীৰ ভালপোৱা আছিল। বিশেষকৈ নাহৰ গছ তেওঁৰ অতি প্রিয় আছিল। নাহৰ অসমৰ এক চিনাকি আৰু মৰমৰ গছ। বসন্ত আহিলে নাহৰৰ ফুলে প্রকৃতিক যেন নতুন ৰূপ দিয়ে। জুবিন মামাই গছ-গছনি ৰক্ষা কৰাৰ প্রয়োজনীয়তাৰ কথাও কৈছিল। কাৰণ গছ থাকিলেহে মানুহ থাকিব।

বিদ্যালয়ৰ ওচৰত এখন সৰু খেলপথাৰ আছিল। খেলপথাৰখনৰ কাষত কেইজোপামান পুৰণি গছ আছিল। সেই গছবোৰৰ ছাঁত ছাত্র-ছাত্রীসকলে বহি জিৰণি লৈছিল। গৰমৰ দিনত সেই গছবোৰেই তেওঁলোকক ছাঁ দিছিল। চৰাইবোৰে গছৰ ডালত বাহ সাজিছিল। এদিন হর্ষিতে শুনিলে যে খেল-পথাৰখন ডাঙৰ কৰাৰ বাবে কিছুমান গছ কাটি পেলোৱাৰ কথা ভাবিছে। হর্ষিতৰ মনটো বেয়া লাগিল। সি বন্ধুবোৰক ক'লে,

ঃশুনা তোমালোকে, খেল পথাৰখনৰ গছবোৰ কাটি নতুনকৈ সজাব খুজিছে। আমি গছবোৰ কটিবলৈ নিদিওঁ। গছ আমাৰ বন্ধু।

ঃ বন্ধু মিণ্টুৰে ক'লে, কিন্তু আমি সৰু ল'ৰা। আমি একো কৰিব নোৱাৰোঁ?

ঃ আমি সৰু হ'লেও আমাৰ কণ্ঠ সৰু নহয়। আমি ছাৰহঁতক ক'ম।

পিছদিনা ছাত্র-ছাত্রীসকলে শিক্ষকৰ সৈতে আলোচনা কৰিলে। তেওঁলোকে গছ কটাৰ সলনি আন ঠাইত খেলপথাৰখন উন্নত কৰিবলৈ ক'লে। বিদ্যালয় কর্তৃপক্ষই কথাটো গুৰুত্বসহকাৰে বিবেচনা কৰিলে। শেষত কেইজোপামান পুৰণি গছ সংৰক্ষণ কৰি খেলপথাৰখন নতুনকৈ সজোৱাৰ সিদ্ধান্ত লোৱা হ'ল। সেইদিনা হর্ষিতে অনুভৱ কৰিলে- এজন মানুহৰ এটা ভাল চিন্তাই আন এজনৰ মনত নতুন চিন্তাৰ জন্ম দিব পাৰে।

জুবিন মামাই সাধাৰণ মানুহৰ লগত সময় কটাই ভাল পাইছিল। তেওঁৰ বাবে মানুহৰ মৰম আছিল অতি মূল্যৱান। বিখ্যাত শিল্পী হোৱাৰ পাছতো সাধাৰণ মানুহৰ সৈতে তেওঁৰ সম্পর্ক আছিল সহজ-সৰল। সেইবাবেই তেওঁ বহু মানুহৰ হৃদয়ত নিজৰ বাবে বিশেষ স্থান সৃষ্টি কৰিব পাৰিছিল।

তেওঁ আন দহজনকো সমাজৰ হকে কাম কৰিবলৈ উৎসাহিত কৰিছিল। সমাজখন কেৱল চৰকাৰ বা কোনো এজন ব্যক্তিৰ নহয়, সমাজখন সকলোৰে। সেয়েহে আমি যদি নিজৰ চৌপাশৰ মানুহজনৰ বাবে অলপ সহায় কৰোঁ, যদি অসহায়জনক হাতখন আগবঢ়াই দিওঁ, যদি ৰাস্তাত আৱর্জনা নেপেলাওঁ, যদি এজোপা গছ ৰোপণ কৰোঁ, তেন্তে সেয়াও সমাজৰ বাবেই কৰা কাম।

জুবিন মামাৰ গানৰ দৰে তেওঁৰ এই চিন্তাবোৰো মানুহৰ মাজত বিয়পি পৰিছিল। কিন্তু ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত এটা দুখজনক খবৰে সমগ্র অসমবাসীৰ লগতে বিশ্ববাসীক শোকস্তব্ধ কৰি পেলালে। সেইদিনা জুবিন গার্গে ছিংগাপুৰত ইহলীলা সম্বৰণ কৰে। খবৰটো শুনি হর্ষিতৰ চকুত চকুলো বৈ আহিল। চাৰিওফালৰ পৰিৱেশ ধুঁৱলী-কুৱঁলী হৈ পৰিল। মুখৰ মাত যেন ক'ৰবাত হেৰাই গ'ল।

ঃ মা, জুবিন মামা আৰু আমাৰ মাজত নাই। কেতিয়াও ঘূৰি নহাৰ বাটেৰে গ'লগৈ। খবৰটো পাই বহুত দুখত ভাঙি পৰিছোঁ।

ঃ মাকে মৰমেৰে ক'লে, সকলো মানুহ এদিন এই পৃথিৱীৰ পৰা আঁতৰি যায়। কিন্তু তেওঁ কৰা ভাল কামবোৰ আৰু তেওঁৰ আদর্শ যদি মানুহে মনত ৰাখে, তেতিয়া কায়িকভাৱে আঁতৰি গ'লেও তেওঁ অন্তৰৰ পৰা কেতিয়াও আঁতৰি নাযায়।

হর্ষিতে কথাটো বুজিবলৈ চেষ্টা কৰিলে। পিছদিনা সন্ধিয়া সি নিজৰ বন্ধুবোৰক মাতিলে। সিহঁতে বিদ্যালয়ৰ ওচৰত এজোপা নাহৰ গছ ৰোপণ কৰাৰ সিদ্ধান্ত ল'লে। সকলোৰে মিলি গছপুলিটো ৰোপণ কৰিলে। তাৰপাছত প্রতিদিনে পাল পাতি পানী দিবলৈ ধৰিলে।

সকলোৰে মুখত হাঁহি বিৰিঙিল। গছজোপা লাহে লাহে ডাঙৰ হ'বলৈ ধৰিছে। সময় পাৰ হ'ব। সৰু পুলিটো এদিন ডাঙৰ গছ হ'ব। চৰাই আহি তাৰ ডালত বহিব পাৰিব। গৰমৰ দিনত ছাত্র-ছাত্রীসকলে তাৰ ছাঁত অলপ জিৰণি লৈ জুবিন মামাৰ গান শুনিব পাৰিব।

জুবিন গার্গ আজি আমাৰ মাজত শাৰীৰিকভাৱে নাই। কিন্তু তেওঁৰ গান এতিয়াও মানুহৰ মুখে মুখে প্রবাহিত। তেওঁৰ সৃষ্টিয়ে নতুন প্রজন্মক অনুপ্রেৰণা দিছে। মানুহক ভালপোৱা, ভেদাভেদ পাহৰি একেলগে থকা, অসহায়জনৰ কাষত থিয় হোৱা আৰু প্রকৃতিৰ যত্ন লোৱাৰ দৰে আদর্শবোৰে আজিও বহুজনক পথ দেখু�ৱাই আছে।

ৰশ্মি ৰেখা দুৱৰা,ডিব্রুগড়



শৰৎ কোন ফালে আহে



বনজিত দাস, ৰিহাবাৰী, বজালী

শৰৎ কোন ফালে নামে
শুকুলা মেঘৰ আঁৰে আঁৰে
গাভৰুৰ আঁচল টানি
শীতল বতাহে য'ত আমনি কৰে ।
নৈৰ পাৰৰ কহুৱা নাচোনত
পুলকিত মন
তাতে নেকি শৰৎ নামে
ৰিক্ত শৰালি জাকে জাকে উৰে
মুক্ত আকাশত ঠোঁটত গুজি
কাৰ বাতৰি নিয়ে ।
দূৰণিত শুভ্র বসন আঁৰি
কাক নো সাৱটে
স্বপ্নাতুৰ পৰসত চুমা আঁকে
সেউজ পথাৰৰ ভাজে ভাজে
মুকুতা মণি টোপালে উচুপি কান্দে
মায়াজালৰ ৰাগিনী তুলি
উলাহতে সমীৰণে কথা পাতে
শৰৎ কোন ফালে নামে ।
মৌনতা নে দুচকুত হেৰোৱা
তন্দ্রা ভৰা উদাশ ৰাতি
শেতেলীত পৰি কোনে নিদ্রা ভাঙে
টুপ্ টুপ্ সৰে নিজানত কোনে বাৰু মাতে
জোন গলা ৰাত্রি জগাই
তিতা দুবৰিৰ দলিচাত সুৱাগ চৰে
মন উচাতন শেৱালি তৰা ফুলৰ
চানেকি ৰৈ ৰৈ চাই জুমি
এইবাটে শৰৎ আহিল বুলি ।

ৰঙিলী বার্ত্তা কর্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্রকাশিত, প্রচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্রাইজত মুদ্রিত। ফোন ঃ 9854215286
প্রতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্র মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

সুধাকণ্ঠৰ গীতত শৰৎ কালৰ চিত্রায়ণ



দর্শনা দত্ত, দেৱগাঁও, গোলাঘাট

অসমৰ সাংস্কৃতিক জগতৰ অনন্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আছিল একাধাৰে কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, সাহিত্যিক তথা সমাজ আৰু প্রকৃতিৰ অনুপম চিত্রকৰ- যিজনে শব্দ আৰু সুৰেৰে প্রকৃতিৰ মনোৰম দৃশ্য, দেশমাতৃ তথা মানৱতাবাদৰ চিত্র অংকন কৰিছিল। সুধাকণ্ঠৰ সৃষ্টিশীল সত্তাই অসমৰ লোক-সংস্কৃতি আৰু প্রকৃতিৰ নান্দনিকতাক বিশ্বদৰবাৰত এক সুকীয়া মর্যাদা প্রদান কৰিলে। অসমৰ বুকুলৈ অহা প্রতিটো ঋতুৰে আছে এক সুকীয়া মাদকতা। তাৰ ভিতৰত শৰৎ ঋতু অন্যতম। অসমীয়া সংগীতত শৰৎ ঋতুৰ বিতোপন ৰূপটোক গভীৰ আৰু হৃদয়-স্পর্শীভাৰে তুলি ধৰিছে ড° ভূপেন হাজৰিকাই। তেওঁৰ গীতত শৰতৰ প্রতিটো চিৰপৰিচিত উপাদানেই যেন একো একোটা সজীৱ চৰিত্র হৈ আত্মপ্রকাশ কৰিছে। শিল্পীগৰাকীৰ গীতৰ মাজেৰে প্রাণ পাই উঠিছে নদীৰ পাৰৰ শুভ্র- শুকুলা কঁহুৱা বনৰ নাচোন। ঠিক সেইদৰে, নিয়ৰসিক্ত শুভ্র শেৱালি ফুলৰ সুবাস আৰু সিঁচৰিত ৰূপটো তেওঁৰ গীতত হৈ পৰিছে স্নিগ্ধতা আৰু আন্তৰিকতাৰ এক সুন্দৰ নিদর্শন। শৰতৰ আগমনীত প্রকৃতিৰ বুকুলৈ নামি অহা পাতল কুঁৱলীৰ ওৰণি আৰু দুৱৰিৰ পাতত মুকুতা মণিৰ দৰে জিলিকি উঠা নিয়ৰৰ টোপালবোৰে সুধাকণ্ঠৰ কণ্ঠ আৰু সুৰৰ পৰশত এক অপূর্ব মাত্রা লাভ কৰিছে, যিয়ে মানুহৰ মনৰ গভীৰ অনুভূতিক জগাই তোলে। তেখেতৰ কালজয়ী গীতসমূহৰ মাজত শৰতৰ যি চিত্রায়ণ, সেইয়া প্রকৃতিৰ লগত মানৱীয় অনুভূতিৰ সংযোগ আৰু প্রেমৰ এক সজীৱ প্রতিফলন।

সুধাকণ্ঠৰ সৃষ্টি-মানসত শৰৎ ঋতুৰ এক মনোৰম ৰূপ প্রতিভাত হোৱা এটি জনপ্রিয় গীত হ'ল-"শাৰদী ৰাণী তোমাৰ হেনো নাম" গীতটি। এই গীতটিত শিল্পীৰ কাব্যিক কল্পনাই শৰৎ ঋতুক এগৰাকী সদ্যস্নাতা, লাৱণ্যময়ী ৰূপহী কন্যা তথা এক চিৰন্তন সপোনৰূপে প্রতিফলিত কৰিছে। নিশাৰ অন্ধকাৰৰ সমাপ্তিত পুৱা ধৰালৈ নামি অহা শৰতৰ স্নিগ্ধ ৰূপটোক তেখেতে এক নিবিড় আপোনত্বৰে এনেদৰে সজাই তুলিছে-

"শাৰদী ৰাণী তোমাৰ হেনো নাম,
তুমি মোৰ নিচেই আপোন।
সদ্যস্নাতা ৰূপহী মোৰ
পুৱতি নিশাৰ সপোন...।"

শিল্পীগৰাকীৰ শব্দ-সুৰত শৰতৰ প্রতিটো প্রাকৃতিক উপাদান শাৰদী ৰাণীৰ আভূষণ হৈ পৰিছে। নিয়ৰ আৰু কুঁৱলীৰ ওৰণিৰে আবৃতা শাৰদী ৰাণীৰ নান্দনিক ৰূপটোৱে প্রকৃতিৰ বুকুত এক অপূর্ব শিহৰণ তোলে। শৰতৰ শুভ্র নীলা আকাশ আৰু পাতল কুঁৱলীৰ আচ্ছাদনক শিল্পীয়ে সূক্ষ্মভাৱে ৰাণীৰ ওৰণি আৰু ৰিহাৰ সৈতে তুলনা কৰিছে। আনহাতে, শান্ত নিস্তব্ধ বিলখন হৈ পৰিছে সেই মনোৰম সুন্দৰীৰ মুখচ্ছবি প্রতিফলিত কৰা এখনি শুৱনি দাপোণ-

"শুভ্র নীলা ওৰণিখনি,
কুঁৱলী সূতাৰে বোৱা
পাতল ৰিহাখনি,
থৰ লগা বিলখনি
থৰ লগা বিলখনি
তোমাৰ শুৱনি দাপোণ..."

গীতটোৰ অন্তৰালত থকা প্রাকৃতিক চিত্রকল্পসমূহ- যেনে- মেঘৰ গতিশীলতা, নিয়ৰসিক্ত সেউজী দলিছা, সোণালী ৰ'দৰ পোহৰ আৰু সুদূৰ প্রৱাসী শৰালি জাকৰ কলৰৱ- এই সকলোবোৰেই যেন সেই শাৰদী ৰাণীৰ আগমনক আদৰাৰ একো একোটা মাংগলিক প্রস্তুতি। শেৱালি ফুলৰ দৰে কোমল হাঁহিটিৰ মাজত শিল্পীয়ে প্রকৃতিৰ এক নতুন ঋতুৰ বার্তা বিলাই দিছে-

"কপাহ মেঘৰ অহা-যোৱা,
সেউজী ঘাঁহৰ হিমানী,
সোণালী ৰ'দ, শৰালিৰে জাক,
তুমিয়েই আনিলা কিজানি।
শেৱালি কোমল হাঁহিটি মাৰি,
কৰাহি সাজোন কাচোন...।"

এইদৰে, সুধাকণ্ঠই সমগ্র গীতটিত শৰৎ কালৰ যি অন্তৰংগ চিত্র অংকন কৰিলে, সি অসমীয়া সাহিত্য-সংস্কৃতিত শৰতৰ চিৰন্তন ৰূপটোক এটি অপৰূপ মর্যাদা প্রদান কৰিলে।

সুধাকণ্ঠৰ সুৰত শৰৎ কালক কেন্দ্র কৰি নিগৰা আন এটি জনপ্রিয় গীত হ'ল-"শৰতৰ শেৱালিৰ নতুন নিয়ৰে"। গীতটোত সুধাকণ্ঠৰ উচ্চপর্যায়ৰ সাহিত্যিক ভাষা আৰু অতুলনীয় সুৰৰ যাদু ফুটি উঠিছে। গীতটিত শিল্পীগৰাকীয়ে শৰত কালৰ উপাদানসমূহৰ অন্তৰালত এক গভীৰ সামাজিক আৰু বৈপ্লৱিক চেতনাৰ উন্মেষ ঘটাইছে। গীতটিত ধৰিত্রীৰ বুকুলৈ এক নতুন পোহৰ আৰু মুক্তিৰ বার্তা কঢ়িয়াই অনাৰ উমান পোৱা যায়-

"শৰতৰ শেৱালিৰ নতুন নিয়ৰে,
শুভ্র শুভ্র কিবা ছবি আঁকে
শুকুলা ডাৱৰৰ পতাকা উৰুৱাই,
মুকুতিৰ গীত গাই
শৰালিজাকে।"

গীতটিত শৰত কালৰ শেৱালি পাহিত জিলিকি উঠা 'নতুন নিয়ৰে' মানৱ মনলৈ কঢ়িয়াই অনা এক নতুন আশা, নতুন চেতনা আৰু পবিত্রতাৰ স্নিগ্ধ ছবি অংকন কৰিছে। শৰতৰ আকাশত উৰি ফুৰা শুকুলা ডাৱৰ জাকক তেওঁ শান্তি আৰু স্বাধীনতাৰ পতাকা হিচাপে কল্পনা কৰিছে। ঠিক তেনেদৰে,

(চৈধ্য পৃষ্ঠাত চাওক)

দুর্গাপূজাঃ ঐতিহ্য, আধ্যাত্মিকতা আৰু সমাজ চেতনা



যোৱাখণ্ডৰ পৰা...

প্রেম বৈষ্ণৱ, বিহালী, বিশ্বনাথ

আধুনিকতাৰ পৰশ আৰু সচেতনতাৰ প্রয়োজনীয়তা- আধুনিক বিজ্ঞান-প্রযুক্তি আৰু পশ্চিমীয়া ভোগবাদী সংস্কৃতিৰ প্রভাৱত বর্তমান দুর্গাপূজাৰ বাহ্যিক ৰূপত বহুখিনি পৰিবর্তন ঘটিছে। আজিকালি পূজাত আকাশলংঘী বাজেট, বিশাল আকর্ষণীয় থিমৰ মণ্ডপ আৰু চমকপ্রদ আলোকসজ্জাৰ প্রতিযোগিতা দেখা যায়। আধুনিকতাৰ এই স্পর্শই উৎসৱটোক দৃষ্টিসুখকৰ কৰি তুলিলেও, বহু সময়ত ইয়াৰ প্রকৃত আধ্যাত্মিক আৰু শান্তিপূর্ণ ভাৱধাৰা ম্লান পৰাৰ আশংকা থাকে। পূজা মণ্ডপসমূহত হোৱা অতিমাত্রা শব্দ প্রদূষণ, প্লাষ্টিক আৰু অবিকল থার্মকলৰ অপব্যৱহাৰ, আৰু নদীৰ পানীত ৰাসায়নিক ৰংযুক্ত প্রতিমা বিসর্জনৰ ফলত হোৱা পৰিৱেশ প্রদূষণ বর্তমান সময়ৰ এক জ্বলন্ত সমস্যা হৈ পৰিছে।

সেইবাবেই আজিৰ সচেতন নাগৰিক হিচাপে আমাৰ দায়িত্ব হৈছে দুর্গাপূজাক এক পৰিৱেশ-অনুকূল উৎসৱ হিচাপে গঢ়ি তোলা। কেৱল মাটি আৰু প্রাকৃতিক ৰং ব্যৱহাৰ কৰি প্রতিমা নির্মাণ কৰা, প্লাষ্টিকৰ ব্যৱহাৰ সম্পূর্ণ বর্জন কৰা আৰু নির্দিষ্ট আৱদ্ধ স্থানত প্রতিমা বিসর্জন দিয়াৰ ব্যৱস্থা কৰা উচিত। পূজাৰ নামত কৰা অতিৰিক্ত অপব্যয় হ্রাস কৰি সেই ধনেৰে সমাজৰ অনাথ, দুখীয়া আৰু চিকিৎসাধীন লোকসকলৰ সেৱা কৰিলেহে দুর্গাপূজাৰ প্রকৃত উদ্দেশ্য সার্থক হ'ব। আড়ম্বৰতকৈ আন্তৰিক ভক্তি আৰু সামাজিক দায়বদ্ধতাহে এই পূজাৰ মূল নীতি হোৱা উচিত।

শাৰদীয় দুর্গাপূজা হ'ল মানৱ সভ্যতাৰ ইতিহাসত শুভ শক্তিৰ অপৰাজেয় উত্থান আৰু অশুভ শক্তিৰ চৰম পৰাজয়ৰ এক চিৰন্তন স্মাৰক। এই মহোৎসৱে কেৱল এটা পৌৰাণিক যুদ্ধৰ কথা সোঁৱৰাই দিয়াৰ লগতে প্রতিজন মানুহৰ হৃদয়ৰ ভিতৰত অহৰহ চলি থকা ভাল আৰু বেয়াৰ সংগ্রামখনৰ কথা মনত পেলাই দিয়ে। মহিষাসুৰ বাহিৰত নহয়, আমাৰ মনৰ ভিতৰতে হিংসা, বিদ্বেষ, অহংকাৰ, লোভ, নাৰীৰ প্রতি কুদৃষ্টি আৰু পশুত্বৰ ৰূপত বাস কৰে। এই সকলো অন্তর্নিহিত কু-প্রবৃত্তিক জ্ঞান, ভক্তি, সদাচাৰ আৰু আত্মনিয়ন্ত্রণৰূপী অস্ত্রৰে বিনাশ কৰাটোহে দুর্গাপূজাৰ সর্বোচ্চ আধ্যাত্মিক আহ্বান। যেতিয়ালৈকে আমি নিজৰ মনৰ পৰা এই আসুৰিক মানসিকতা দূৰ কৰিব নোৱাৰিম, তেতিয়ালৈকে দেৱীৰ প্রতিমাৰ সম্মুখত কৰা কোটি কোটি টকাৰ আৰাধনাও অর্থহীন হৈ ৰ'ব।

দেৱী দুর্গা হ'ল নাৰী শক্তিৰ সর্বোচ্চ প্রকাশ। আজিৰ সমাজত নাৰীৰ সুৰক্ষা, মর্যাদা আৰু স্বাৱলম্বিতা সুনিশ্চিত কৰাটোহে হ'ব দেৱীৰ প্রকৃত পূজা। দেৱী যেনেকৈ মাতৃৰূপিণী, তেনেকৈয়ে তেওঁ সংহাৰকাৰিণী। তেওঁৰ পূজাৰ মাধ্যমেৰে আমি সমাজৰ পৰা সকলো অন্যায়, অবিচাৰ, ধর্মীয় সংকীর্ণতা আৰু শোষণক বিনাশ কৰি এখন সাম্য, মৈত্রী আৰু প্রেমপূর্ণ সমাজ গঢ়াৰ সংকল্প গ্রহণ কৰিব লাগিব। বিজয়া দশমীৰ পবিত্র মুহূর্তত প্রতিমা বিসর্জন দিলেও দেৱীৰ শান্তিদায়ী আশীর্বাদ আৰু মহান নীতিশিক্ষাবোৰ যেন আমাৰ অন্তৰত আজীৱন জীয়াই থাকে, সেয়াই হওক আমাৰ একমাত্র প্রার্থনা। শৰতৰ এই পবিত্র আলোকে সমগ্র ধৰাৰ অন্ধকাৰ দূৰ কৰি সকলোৰে জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি আৰু ভাতৃত্ববোধ কঢ়িয়াই আনক, সেয়াই দুর্গাপূজাৰ চিৰন্তন বার্তা।

কবিসকল অঘৰী



ৰাজু কলিতা, মাজুলী

কবিয়েই সম্ভৱতঃ একমাত্ৰ সত্তা, যিয়ে কোনো এক নিৰ্দিষ্ট সীমা, ভৌগোলিক পৰিধি, সামাজিক নিৰ্দেশনা বা মানসিক চৌকাঠৰ ভিতৰত আৱদ্ধ হৈ থাকিব নোৱাৰে; সেয়ে কবিসকল স্বভাৱতেই অঘৰী, চিৰন্তন যাযাবৰ। কিন্তু এই অঘৰী সত্তা কোনো ভৌতিক নিৰাশ্ৰয়তা বা অন্ন-বস্ত্ৰৰ অভাৱৰ প্ৰতীক নহয়, ৰৱঞ্চ ই এক অনন্ত মানসিক স্বাধীনতা, আত্মিক সন্ধান আৰু বিশ্বজনীন অনুভূতিৰ অনবৰত পৰিব্ৰাজকৰূপ। এজন সাধাৰণ মানুহে য'ত এক নিৰ্দিষ্ট গৃহখণ্ড, স্থায়ী পৰিবেশ, সামাজিক স্থিতি আৰু ভৌতিক সুখ-সম্পদৰ মাজত নিৰাপত্তা বিচাৰি পায়, কবিৰ স্বাধীন সত্তাই তাত এক সুক্ষ্ম বন্দীত্ব আৰু শ্বাসৰুদ্ধকৰ স্থবিৰতা অনুভৱ কৰে। কবিৰ ঘৰ কোনো ইটা-বালি-ভাঙা প্লাষ্টাৰেৰে গঢ়া চাৰিবেৰৰ কোঠা হ'ব নোৱাৰে, ৰৱঞ্চ সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডই তেওঁলোকৰ মুকলি বাসস্থান, নীলা আকাশেই চালি, নদী-পাহাৰ-অৰণ্যই বুকুৰ স্পন্দন আৰু সমগ্ৰ মানৱীয় আবেগ-অনুভূতিৰ সীমাহীন সাগৰেই তেওঁলোকৰ প্ৰকৃত নীৰ। কবিৰ এই অঘৰী যাত্ৰা মূলতঃ এক অবিৰাম সন্ধানৰ যাত্ৰা য'ত সত্যৰ সন্ধান, সৌন্দৰ্যৰ অন্তহীন অন্বেষণ আৰু মানৱ অস্তিত্বৰ গভীৰতম ৰহস্যৰ উন্মোচন একাকাৰ হৈ পৰে। এই যাত্ৰাপথত তেওঁলোকে স্বভাৱতেই কোনো এক বিশেষ ধাৰণা, নীতি-নিয়ম, গোষ্ঠীগত প্ৰীতি বা ভৌগোলিক সীমাত চিৰদিনৰ বাবে খোপনি পুতি বহি থাকিব নোৱাৰে। সমাজৰ বৈষম্য, সংস্কাৰৰ শিকলি আৰু নীতিৰ কঠোৰ অৰ্গল ভাঙি কবিৰ মুক্ত মন সদায় উৰি ফুৰে অচিন দিগন্তৰ পোহৰলৈ। যেতিয়াই কবিয়ে কোনো এক নিৰ্দিষ্ট চিন্তা বা তত্ত্বৰ মাজত নিজক সম্পূৰ্ণভাৱে স্থিতিশীল কৰি পেলাব বিচাৰে, তেতিয়াই তেওঁৰ সৃজনশীলতাৰ স্বতঃস্ফূৰ্ত নিজৰা শুকাই যায়, সেয়ে আত্মৰক্ষা আৰু সৃষ্টিশীলতাক জীয়াই ৰখাৰ তাগিদাতেই তেওঁ অঘৰী নহৈ নোৱাৰে। এই অঘৰী ভাৱনাই কবিক এক অনন্য সংবেদন-শীলতা আৰু নিৰপেক্ষ দৃষ্টি প্ৰদান কৰে। তেওঁলোক সমাজৰ একেবাৰে ভিতৰত গভীৰভাৱে বাস কৰিও এজন নিৰপেক্ষ প্ৰত্যক্ষদৰ্শী বা পৰিব্ৰাজকৰ দৰে থিয় দিয়ে; যিয়ে পথৰ কাষৰ ধূলিময় জীৱনৰ পৰা আৰম্ভ কৰি ৰাজপ্ৰাসাদৰ নিসংগতালৈকে, আনৰ প্ৰতিটো দুখ-বেদনা, আশা-নিৰাশা, আনন্দ-উল্লাস আৰু সামাজিক অন্যায়-অবিচাৰক অত্যন্ত সূক্ষ্মভাৱে নিজৰ বুলি অনুভৱ কৰিব পাৰে, অথচ নিজক কাৰো সংকীৰ্ণ স্বাৰ্থৰ সৈতে বান্ধি নাৰাখে। কবিৰ বাবে সকলোৱে মানৱতা এক, কাৰণ তেওঁলোক কোনো এক বিশেষ গৃহৰ নহয়, সকলো গৃহৰে অংশ। এই অঘৰী জীৱন নিশ্চিতভাৱে এক অত্যন্ত কণ্টকময় আৰু যন্ত্ৰণাদায়ক যাত্ৰা। ভৌতিক পৃথিৱীৰ সুৰক্ষা আৰু স্থায়িত্ব ত্যাগ কৰাৰ ফলত ই কঢ়িয়াই আনে এক চিৰন্তন সংঘাত, মানসিক উচ্ছেদ, গভীৰ নিসংগতা আৰু এক অপূৰণীয় আত্মিক ব্যাকুলতা। কিন্তু এই নিসংগতা আৰু ব্যাকুলতাই পৰৱৰ্তী সময়ত কবিৰ কবিতাৰ মূল প্ৰেৰণা আৰু ৰস হৈ পৰে। যি যন্ত্ৰণাৰ পৰা জন্ম লাভ কৰে এনে এক চিৰন্তন সুৰ, যিয়ে কোনো নিৰ্দিষ্ট ভৌগোলিক সীমাক অতিক্ৰম কৰি সমগ্ৰ মানৱজাতিৰ হৃদয়ৰ অতি গোপন কোঠাত ঝংকাৰ তুলিব পাৰে। কবিৰ কোনো এক নিৰ্দিষ্ট স্বদেশ বা একক গৃহভূমি নাথাকে বাবেই তেওঁ সমগ্ৰ বিশ্বৰে আত্মীয় হৈ পৰে। ভৌগোলিক মানচিত্ৰৰ সীমাৰেখা তেওঁলোকৰ বাবে অৰ্থহীন হৈ পৰে আৰু তেওঁলোকৰ এই অঘৰী, মুক্ত আত্মাই সৃষ্টি কৰে কালজয়ী সাহিত্যৰ এক বিশ্বজনীন মহাজগত, য'ত প্ৰতিজন হৃদয়ৱান মানুহে বিচাৰি পায় নিজৰ অন্তৰৰ প্ৰকৃত ঘৰ।

সুধাকণ্ঠৰ গীতত

সুদূৰ দিগন্তৰ পৰা স্বাধীনভাৱে উৰি অহা শৰালি জাকৰ কোলাহল তেওঁৰ বাবে হৈ পৰিছে 'মুকুতিৰ গীত'। ইয়াত শিল্পীৰ বিশ্বমানৱতাবাদী মনস্তত্ত্বৰ এক সুন্দৰ প্ৰতিফলন ঘটিছে, য'ত প্ৰকৃতিৰ প্ৰতিটো স্পন্দনে মানুহক সংকীৰ্ণতাৰ পৰা মুক্ত হোৱাৰ প্ৰেৰণা যোগায়। শৰতৰ এই নিৰ্মল শান্ত পৰিৱেশে মানুহৰ মনৰ কলুষতা ধুই নিকা কৰাৰ এক অন্তৰ্নিহিত আহ্বান কঢ়িয়াই আনে। সুধাকণ্ঠই শৰতৰ আকাশৰ স্বচ্ছতা আৰু উদাৰতাৰ আলমত মানৱ সমাজলৈ এক গভীৰ আশা আৰু আহ্বান জনাই এনেদৰে ব্যক্ত কৰিছে -

"...মানুহৰ মনবোৰো আকাশৰ দৰেই স্বচ্ছ হ'ব যেতিয়া এই
পৃথিৱীতে,
মানুহে মানুহক আপোন কৰিব সিদিনা শৰতে সঁচা ৰূপ পাব...।"

অৰ্থাৎ, প্ৰকৃতিৰ শৰৎ তেতিয়াহে সঁচাকৈ সজীৱ হৈ উঠিব, যেতিয়া মানুহৰ মনৰ পৰা হিংসা-বিদ্বেষ আঁতৰি আকাশৰ দৰেই এক নিৰ্মল আৰু উদাৰ পৰিৱেশৰ সৃষ্টি হ'ব।

সুধাকণ্ঠৰ শাৰদীয় সংগীতৰ যাত্ৰাত শৰতৰ আটাইতকৈ চঞ্চল আৰু সংবেদনশীল ৰূপটো প্ৰকাশ পাইছে "কঁহুৱা বন মোৰ অশান্ত মন" গীতটিত -

"কঁহুৱা বন মোৰ অশান্ত মন,
আলফুল হাতেৰে লোৱা সাৱটি।
এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভটি...।"

গীতটিত সুধাকণ্ঠই কঁহুৱা বনক অশান্ত মনৰ বাহ্যিক প্ৰকাশ হিচাপে ব্যৱহাৰ কৰিছে। বতাহত হালি-জালি থকা কঁহুৱাৰ দৰেই মানুহৰ মনো চঞ্চল আৰু বাউলি। মনৰ এই ব্যাকুলতাক কোনো কঠিন বা ৰূঢ় ব্যৱহাৰেৰে নহয়, অতি মৰমেৰে, "আলফুল হাতেৰে" সাৱটি ল'বলৈ আহ্বান জনাইছে। আনহাতে তেওঁ সোঁৱৰাই দিছে যে আমাৰ জীৱনৰ সুন্দৰ ক্ষণবোৰ অতি ক্ষণস্থায়ী। সেয়ে জীৱনৰ প্ৰতিটো ক্ষণক তেওঁ বহুমূলীয়া 'মুকুতাৰ ধন'ৰ সৈতে তুলনা কৰিছে।

গীতটিত শৰতৰ এই প্ৰকৃতিৰ আলমত সময়ৰ গতিশীলতা আৰু ক্ষণস্থায়িত্বৰ কথা সুন্দৰকৈ প্ৰতিফলিত হৈছে। নীলা আকাশৰ খহি পৰা তৰা আৰু ঘিটমিট এন্ধাৰ নিশাৰ বৰ্ণনাৰে তেওঁ জীৱনৰ গভীৰতাক স্পৰ্শ কৰিছে। কঁহুৱা বনৰ দৰে চঞ্চল হৈ থকা বলীয়া মনটোক তেখেতে এক গভীৰ আশাবাদী দৰ্শন দি গীতৰ শেষত গাইছে যে, শৰতৰ এই অশান্ত নিশাৰ অন্ত পৰি কাইলৈ পুৱা এক নতুন আশাৰ সূৰুজে ধৰা পোহৰাই দিব -

"'অ' বলিয়া মন কিয় উচাটন?
কালিৰ সূৰুযে আনি দিব পুৱাটি।"

এনেদৰেই সুধাকণ্ঠৰ সৃষ্টিশীল চেতনাৰ বিশাল চিত্ৰপটত শৰৎ কাল হৈ পৰিছে মানৱীয় আৱেগ আৰু সাংস্কৃতিক চেতনাৰ এক চিৰন্তন তথা স্পন্দনশীল উৎস। তেওঁৰ গীতৰ অমৰ সুৰ, সাৱলীল শব্দৰ প্ৰয়োগ আৰু অপূৰ্ব কাব্যিক ব্যঞ্জনাৰ পৰশত কঁহুৱাৰ চঞ্চলতা, শেৱালিৰ স্নিগ্ধতা, নিয়ৰ-কুঁৱলীৰ কোমল স্পৰ্শ আৰু আকাশৰ উদাৰতা আদিয়ে অতুলনীয় ৰূপ লাভ কৰিছে। কালজয়ী শিল্পীজনৰ এই অমৰ সৃষ্টিৰাজিয়ে অসমৰ বুকুত চিৰকাললৈ এক অনাবিল, সজীৱ আৰু আধ্যাত্মিক শাৰদীয় অনুভৱ চিৰ-প্ৰৱাহমান কৰি ৰাখিব।

পুৰণি কাকত সংগ্ৰহঃ এক ব্যতিক্ৰমী চখ



যোৱাখণ্ডৰ পৰা...

নিবেদিতা হাজৰিকা, লখিমপুৰ

বহুতৰ মনত আকৌ আজি পুৱাৰ বাতৰি কাকতখনো পুৰণি যেন। আগদিনাৰ কাকত মানেই যেন মূল্যহীন, পুৰণি কাকত। সেয়ে পৰি ৰয় কোঠাৰ এচুকত আৰু ঠাই বন্দী কৰি ৰখা বুলি ভাবি বিক্ৰী কৰি দিয়ে।পুৰণি কাকত সমূহ জমা কৰি ৰখাতকৈ কম মূল্যতে হ'লেও কেজি হিচাপত ফেৰীৱালাক বিক্ৰী কৰি ঘৰখন চাফা কৰি ৰাখিবলৈ বেছি ভাল পায় । কিন্তু সেই থুপাই থোৱা বাতৰি সমূহো যে এটা -এটা তথ্যৰ ভঁৰাল সম সেই কথা ভাবি নাচায় । পুৰণি বাতৰি-কাকত আদিক আৱৰ্জনা, পেলনীয়া, কামত নহা বস্তু বুলি ভবা সকলে হয়তো এই কথা কল্পনাই কৰিব নোৱাৰে যে প্ৰকাশিত বাতৰি সমূহ আজিৰ তাৰিখত বিশেষ তাৎপৰ্যপূৰ্ণ নহ'লেও সময়ত এই সমূহৰ আত ধৰিয়ে বহুজনে বহু বিষয়ৰ জ্ঞান লাভৰ সমল লাভ কৰিবৰ পূৰ্ণ সম্ভাৱনীয়তা থাকে। ইতিহাসবিদ, সাহিত্যিক আৰু গৱেষক সকলৰ বাবে পুৰণি কাকত সমূহ এক অপৰিহাৰ্য সম্পদ। তেওঁলোকে পুৰণি কাকতৰ বিশেষ বিশেষ সংখ্যা বা গুৰুত্বপূৰ্ণ বাতৰি সমূহ সংগ্ৰহ কৰি ৰাখে, যিয়ে তেওঁলোকক অধিক তথ্যৰ সন্ধান দিয়ে।

পুৰণি কাকতৰ মোহ বহুতৰে থকাৰ দৰে অৰ্ধেক সংখ্যকৰে নাই বুলিব পাৰি। কথাষাৰ বৰ্তমানৰ ডিজিটেল যুগৰ এক চৰম সত্য বুলি ক'লেও অত্যুক্তি কৰা নহয়। বহুতৰ বাবে এইবোৰ অদৰকাৰী চখ। এসময়ত যিখন বাতৰি কাকত পুৱাৰ চাহ কাপৰ সৈতে অপৰিহাৰ্য আছিল, আজিৰ প্ৰজন্মৰ বাবে সি কেৱল এটা পুৰণি কাগজৰ টোপোলা মাত্ৰ। প্ৰকৃততে পুৰণি কাকত, পুৰণি পুথি, কাকত-আলোচনী আদি সংগ্ৰহ কৰাটো আমাৰ অদৰকাৰী চখ বা অৰ্থহীন কাম নহয়, ই এক মহৎ কাৰ্য। কিয়নো, এনে কাৰ্যৰ জৰিয়তে আমাৰ অতীত সংস্কৃতি আৰু ইতিহাসৰাজিৰ বিষয়ে জানিবলৈ সুবিধা পাওঁ । বহু তথ্য সম্বলিত পুৰণি কাকত -আলোচনী সমূহ সংৰক্ষণ কৰি ৰখাৰ চখ বা প্ৰয়াস প্ৰকৃততে এক মহৎ অনুকৰণীয় আৰু আদৰণীয় পদক্ষেপ । সাধাৰণ যেন লগা এটি চখে আমাক যে বহু উপকাৰ সাধন কৰিব পাৰে ই তাৰেই এটি উদাহৰণ।